# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ১৫/০২/২০১৮** বৃহস্পতিবাৰ

---

**আজি ইংৰাজী ১৫-০২-২০১৮ তাৰিখে ৰাতিপুৱা ০৯-৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্বনিৰ্দ্ধাৰিত সময় মতে অনুষ্ঠিত হয়।**

**माननीय अध्यक्ष ঃ** প্ৰশ্ন নং **১০১** কৃপানাথ মাল্লা। তেওঁ সদনত উপস্থিত নাই। সেইকাৰণে আমি পৰবৰ্তী প্ৰশ্নটোলৈ যাওঁ। এতিয়া শ্ৰী মতী নন্দিতা দাস। মিনিষ্টাৰ PHE.

**শ্ৰী ৰিহন দৈমাৰী,মন্ত্ৰী ঃ**অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হ'ল।

**শ্ৰী মতী নন্দিতা দাস ঃ** অধ্যক্ষ মহোদয়, মই পানী যোগান আঁচনিৰ কথা কৈছিলো। পানী যোগান আচঁনি এটা বিচাৰিছিলো বৰপাৰাত। ইয়াত উত্তৰটো দিছে যে, পানী যোগান ব্যৱস্থাটো আছেই। দুটা চুবুৰিত ই পানী যোগান দি আছে আৰু বাকী যিখিনি অঞ্চল আছে সেই অঞ্চলখিনিক পানী যোগান দিব পৰা নাই। এইটো ২০১৮-১৯ বিত্তীয় বৰ্ষত লোৱা হ'ব বুলি কৈছে। অধ্যক্ষ মহোদয় ,এই যে, পানী যোগানৰ যিটো অভাৱ এই কথাটো মই যোৱাবাৰো উত্থাপন কৰিছিলো আৰু ইয়াৰ প্ৰয়োজনীয়তাৰ কথা মই যোৱাবাৰো কৈছিলো। ইমান ডাঙৰ এটা সমষ্টিত এটা মাত্ৰ পানী যোগান আঁচনিৰ কথা মোৰ ফালৰ পৰা বাৰে বাৰে বিভাগক কোৱা হৈছে, মাননীয় মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰা হৈছে। কিন্তু এই আঁচনিটো ধৰা নহ'লে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এইটো এই বছৰ ধৰিব পৰা যাব নেকি ? কাৰণ আঁচনিটো এই অঞ্চলত অতি প্ৰয়োজন। যিহেতু এইটো এটা পাহাৰীয়া অঞ্চল। তাত ফেব্ৰুৱাৰী, মাৰ্চ মাহত খুব পানীৰ অভাৱ হয়। পানী বাহিৰৰ পৰা আনি ব্যৱহাৰ কৰিব লগা হয়। সেইকাৰণে মই আঁচনিটোৰ কাৰণে অনুৰোধ কৰিছো কাৰণ অঞ্চলটোত ইয়াৰ প্ৰয়োজনীয়তা বহুত। সেইকাৰণে এই আঁচনিটোকে মই Preference দি বাৰে বাৰে বিভাগৰ মন্ত্ৰী সকলক লগ ধৰিছো, চিফ ইঞ্জিনীয়াৰ সকলক লগ ধৰিছো, কমিশ্যনাৰক লগ ধৰিছো। কিন্তু এই একমাত্ৰ আঁচনিটোক কিয় দিয়া নহ'ল ? আমাৰ কিবা বৈষম্য কৰা হৈছে নেকি ? নে অইন সমষ্টিতো কতো দিয়া নাই ? মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া , উত্তৰটো দিয়ক।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয়া বিধায়িকা গৰাকীয়ে যিটো আঁচনিৰ কথা কৈছে তাত এটা আমাৰ আঁচনি চলি আছে আৰু এই আঁচনিক সামৰি লবলৈ চাৰিটা চুবুৰী আছিলে। এতিয়া ইতিমধ্যে দুটা চুবুৰী সামৰি লোৱা হৈছে আৰু তাত পানী যোগান ধৰি থকা হৈছে। বাকী দুটা চুবুৰী অলপ পাহাৰ আৰু ওপৰত আছে।সেইকাৰণে আমি পাম্পিং কৰি সেই অঞ্চলত পানী যোগান ধৰিব পৰা নাই। গতিকে যদি অহা বিত্তীয় বৰ্ষত পুঁজি পাওঁ এই দুটা চুবুৰী কভাৰ কৰাৰ বাবে আমি ব্যৱস্থা লম।

**শ্ৰী মতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা আঁচনি কাৰণে পুঁজিৰ অভাৱ বুলি কলে বেয়া লাগে। কাৰণ সমষ্টিত মাত্ৰ এটা আঁচনি বিচাৰিছো। এতিয়া বিধায়ক হোৱাৰ দুবছৰ হবহি। তাত পুঁজিৰ অ ভাৱত এটা আঁচনি দিব নোৱাৰো বুলি কোৱাত মই সন্তুষ্ট নহয় আৰু মাননীয় অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে, মোৰ সমষ্টিত প্ৰায় ১৬৯ টা পানী যোগান আঁচনি আছে। তাৰে

৫০ শতাংশ আঁচনি বেয়া হৈ আছে। কেইদিনমানৰ আগতে মন্ত্ৰী মহোদয়ৰ পৰা আমি পত্ৰ পালো যে, ছয় টা আঁচনি ৰিপেয়াৰিংৰ কাৰণে ধৰা হ'ল। এই কেইটা ৰিপেয়াৰিংৰ কাৰণে ৬ লাখ টকা, বা কৰবাত হয়তো ১০ লাখৰ প্ৰয়োজন হ'ব। গতিকে ফ্লেট হিচাপে যিটো ৬ লাখ টকাৰ কথা কৈছে মই ভাৱো এইটো ঠিক হোৱা নাই। কাৰণ আমি আঁচনিটোৰ পৰা পানী পাব লাগিব। পানী পাবলৈ আমাক যদি ৬ লাখতকৈ বেচি পইচাৰ প্ৰয়োজন হয় টকাটো আমাক দিবই লাগিব। উদ্দেশ্যটো আঁচনিটো ভাল কৰা। আঁচনিৰ ৬ লাখ টকাটো যথেষ্ঠ নহয়। ৬ লাখ যিটো টকা ফ্লেট কৰিছে সেইটো কৰিব নালাগে আৰু য'ত যি প্ৰয়োজন সেইমতে এষ্টিমেটটো বনাই সেইমতে পইচাটো দিব লাগে আৰু এটা প্ৰশ্ন অধ্যক্ষ মহোদয়, পানী যোগান আঁচনিবোৰ যিবোৰ লেণ্ড ওনাৰ আছিলে তেওঁংলোকে বহু বছৰৰ পৰা দৰমহা নোপোৱাকে কামবিলাক কৰি আছে। তেওঁলোকে এনেই কামবিলাক কৰিব নোখোজে। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যিসকলে মাটি আবণ্টন দিছিলে তেখেত সকলক বিভাগৰ ফালৰ পৰা কিবা এটা ব্যৱস্থা কৰিব পৰা যাব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** Minster please.

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছো যে, যি দুটা চুবুৰী লবলৈ বাকী আছে, অহা বিত্তীয় বৰ্ষত আমি পুঁজি পাওঁ , সাঙুৰিহে লোৱাৰ ব্যৱস্থা কৰিম আৰু এই বিত্তীয় বৰ্ষত যোৱা বিধান সভাত মই কৈছিলো যে, যিবিলাক আঁচনি গোটেই ৰাজ্যখনত ডিফাংগু হৈ আছে। সেই আচঁনি সমূহক পুনৰ মেৰামতি কৰিবৰ কাৰণে প্ৰতিটো বিধান সভা সমষ্টিত ছয়টাকৈ আঁচনি লবৰ কাৰণে মই সিদ্ধান্ত লৈছিলো। আচলতে এই আঁচনি সমূহত মিনিমাম ছয় লাক হ'ব লাগিব আৰু এটা সমষ্টিত আমি ৩৬ লাখ ধাৰ্য্য কৰিছো। তাৰে এটা আঁচনিও হ'ব পাৰে। গতিকে কৰবাত যদি ৬ লাখ নহয় ১০ লাখ হব পাৰে। তেওঁলোকে মুঠ ৩৬ লাখ টকাই পাব তাতকৈ বেচি নাপায়। গতিকে মাননীয় সদস্য গৰাকীৰ সমষ্টিত ছটা আঁচনি লোৱা হৈছে। ইয়াৰ কাম অতি সোনকালে কৰা হ'ব। মই ভাৱো এইখিনি কৰা হলে এই ছয়টা আচঁনিৰে পানী যোগান ধৰিব পৰা যাব আৰু বাকী যিখিনি আছে তাৰো কাম আমি অ্হা বিত্তীয় বৰ্ষত কৰাৰ সিদ্ধান্ত লৈছো আৰু যিসকল লেণ্ড ওনাৰৰ কথা কৈছে ,তেখেত সকলক চৰকাৰীভাৱে দৰমহা দিয়াৰ কোনো ব্যৱস্থা নাই। তেনেধৰণৰ কোনো কণ্ডিচনত চৰকাৰে তেওঁলোকৰ পৰা মাটি লোৱা নাই। তথাপিও আমি ভাৰিছো এই ইউজাৰচ্ কমিটি বিলাকক কিবা এটা ফাইনেন্সিয়েল এচিচটেন্স দিয়াৰ কাৰণে চিন্তা -চৰ্চা কৰিছো। যদি ফাইনেন্সিয়েল এচিচটেন্স আমি দিব পাৰো , তেতিয়াহলে যিসকলে কাম কৰি আছে তেওঁলোকক লাম চাম এটা পেমেণ্ট দিয়াৰ ব্যৱস্থাটো হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভৰেশ কলিতা। প্ৰশ্নটো বকো কেন্দ্ৰিক । যদি কিবা কব বিচাৰিছে কব পাৰে।

**শ্ৰী ভৰেশ কলিতা ঃ** অধ্যক্ষ মহোদয়, আমি একে জিলাৰ। মোৰ সমষ্টিতো কেইবাটাও আছে। Something is better nothing.ইতিমধো আমাক ৩০ লাখকৈ টকা দিলে। আমি তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। ১০০ টাৰ ওপৰত পানী যোগান আঁচনি এতিয়াও ডিফাংগু হৈ আছে। তাৰোপৰি বি টি এ ডিৰ গোৰেশ্বৰ, বৰফুকন খাত, টেঙাজাৰ এই অঞ্চলবোৰত পানীত বহুত আইৰণ আছে। অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যিবিলাক আঁচনি ল'লে সেইবিলাকৰ পৰা আমি সোনকালে খোৱাপানী পাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। তেখেতে পানীত আইৰণ খুব বেচি থকাৰ কথা কৈছে আৰু সেয়া ৰিমুভ কৰাৰ কাৰণে কিবা আঁচনি আছে নেকি জনাব।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে, অহা বিত্তীয় বৰ্ষত ডিফাংগু

হৈ থকা আঁচনিবিলাক পুনৰ মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা লৈছো। পুঁজি সাপেক্ষে কোনটো বিধানসভা সমষ্টিত কিমানটা আঁচনি ল'ব পাৰি  সেইটো আমি কৰিম আৰু আমাৰ বেচিকৈ আইৰণ থকা , আৰ্চেনিক ,ফ্লুৰাইড সেইবিলাক মিটিগেট কৰাৰ কাৰণে Water Quality Submission এটা হেড আছে কেন্দ্ৰীয় চৰকাৰৰ। ১২২ টা আঁচনি  আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা  অনুমোদন পালে  এইখিনি কাম কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** Thank You. Question No. 103- Phani Bhushan Chowdhury

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দাখিল কৰিছো।

**শ্ৰীফণী ভূষণ চৌধুৰী (বঙাইগাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই কৈছে যে, ২৩৭ টা বালিৰ মহল আৰু ১০২ টা শিলৰ কোঁৱাৰী আছে। তাৰে ১৫৩ টা বালিৰ মহল আৰু ৪৮টা শিলৰ কোঁৱাৰী মহলদাৰক আবণ্টন দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমি কাগজে-পত্ৰই বা বিভিন্ন ঠিকাদাৰৰ পৰা  এই কথাটো জানিবলৈ পাওঁ যে শিল আৰু বালিৰ অভাৱত বিভিন্ন ধৰণৰ আঁচনি সমূহত বিশেষকৈ গড়কাপ্তানী বিভাগৰ আঁচনি সমূহত  কিছু খেলি-মেলিৰ সৃষ্টি হৈছে। আমি জনামতে এইবাৰ প্ৰায় ৮০০০ কিঃমিঃ  দৈৰ্ঘ্যৰ কাম  PMGSY ৰ জৰিয়তে মঞ্জুৰ হৈছে আৰু সেইখিনি ২০১৯ চনৰ মাৰ্চৰ ভিতৰত শেষ হ'ব লাগে। কিন্তু, ৰাস্তাৰ লগতে আৰু অন্যান্য বিষয় সমূহো আছে, MGNREGA আছেই । গতিকে  এই শিলৰ কোঁৱাৰী সমূহ যদি আৱণ্টন দিয়া নহয় তেনেহ'লে definitely এই শিলৰ বা বালিৰ scarcity হ'ব। মাননীয় মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি এই যিকেইটা ৮৪ টা বালিৰ মহল আৰু ৫৪ টা শিলৰ কোঁৱাৰী বাকী থাকিল এই কেইটা অতি সোনকালে আৱণ্টন দিয়াৰ  কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এই ১৫৩ টা বালিৰ মহল আৰু  ৪৮টা শিলৰ কোঁৱাৰী আবণ্টন দিব কাৰণে আমাৰ উপায়ুক্ত সকলৰ পৰা clearence লাগে লগতে এই যি ৪৮ টা শিলৰ কোঁৱাৰী আমি দিবলৈ ওলাইছো তাৰ বাবে আমাৰ কেন্দ্ৰীয় চৰকাৰৰ Environment & Forest Department ৰ ফালৰ পৰা অনুমোদন লাগে। এই যি  ৪৮টা  কোঁৱাৰী হিচাপে চিনাক্ত কৰা হৈছে তাৰ ভিতৰত প্ৰায় ১৩ টাত কৈ অধিক এতিয়া process ত আছে। আমি সেইটোৰ অনুমোদন অতি সোনকালে পাম। কিন্তু মাননীয় সদস্য ডাঙৰীয়াই আমাৰ ৰাস্তা বনাবৰ কাৰণে ইমানখিনি বাকী আছে বুলি যি কথা কৈছে, এনে ক্ষেত্ৰত বাকী থাকিলেও বিভাগৰ ফালৰ পৰা আমাৰ তাত যিমান indent আছে সিমান খিনি দিয়াৰ বাবে আমাৰ বিভাগে যথেষ্ট চেষ্টা চলাই আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক দায়িত্ব দিয়া অনুসৰি দুটা বিভাগৰ মাজত যাতে আমি co-ordination  ৰাখি সমস্যা বিলাক  দূৰ কৰিব পাৰো তাৰ কাৰণে আলোচনা কৰি  থকা হৈছে। এতিয়া indent পোৱা মতে আমাৰ ফালৰ পৰা দিবলৈ বাকী নাই তথাপিও যিহেতু other project বহুত আছে আৰু সেইবোৰ পৰ্যায়ক্ৰমে হৈ থাকিব গতিকে এটা বছৰতে ইমান খিনি সম্পূৰ্ণ নহয়।  এই সকলোবোৰ অহা বছৰত আৰু তাৰ পিছৰ বছৰত পৰ্যায়ক্ৰমে গড়কাপ্তানী বিভাগৰ পৰা কৰি থকা হ'ব । সেইখিনিত আমাৰ এনেকুৱা ধৰণৰ একো সমস্যা সৃষ্টি নহ'ব।

**শ্ৰী ফণী ভূষণ চৌধুৰী, বঙাইগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো গড়কাপ্তানী ৰাস্তাৰ কথা  ক'ব বিচাৰিছে, তাত যাতে  শিল-বালিৰ  অভাৱত ৰাস্তা বিলাকৰ কাম যাতে বন্ধ হৈ নাযায় তাৰ

ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়াই ল'ম বুলি কোৱা কাৰণে মই ভাল পাইছো আৰু এই ক্ষেত্ৰত যাতে অধিক গুৰুত্ব আৰোপ কৰে তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়াক অনুগ্ৰহ কৰিছো। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বিত্তীয় বৰ্ষ অনুযায়ী বন বিভাগৰ ৰাজহ পৰিমাণৰ যি তথ্য দিছে, ২০০৬-০৭ ৰ পৰা ২০১৭-১৮ ৰ ৩১ জানুৱাৰী লৈকে ইয়াত দেখা গৈছে যে এই কেইটা বিত্তীয় বৰ্ষত ৰাজহ সংগ্ৰহৰ পৰিমাণটো যথেষ্ট fluctuate হৈছে। অৰ্থাৎ ২০০৬-০৭ ত ৪৪৮০ লাখ টকা,আকৌ ২০১৩-১৪ ত ২৯০৬ লাখ টকা, আনহাতে ২০০৯-১০ ত হৈছে ৮০৪৯ লাখ টকা আৰু ২০১৭-১৮ৰ জানুৱাৰী মাহত হৈছে ৯৬১১ লাখ টকা। এই যে fluctuate হৈ কোনোবা বছৰত বেছি হৈছে আৰু কোনোবা বছৰত কম হৈছে তাৰ কাৰণ কি ? ইয়াৰ কাৰণ এইটো হ'ব পাৰে নেকি যে বিভাগ সমূহৰ যিবিলাক কৰ্মচাৰী আছে তেওঁলোকে নিজৰ দায়িত্ব সঠিক ভাৱে ৰূপায়ণ নকৰাৰ ফলতেই এনেধৰণে ৰাজহৰ পৰিমাণ কেতিয়াবা বাঢ়ে আৰু কেতিয়াবা কমে, এনেধৰণৰ কথা হৈছে নেকি ?

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগৰ কেইটা বছৰৰ কথা নকওঁ, যেতিয়াৰ পৰা আমাৰ চৰকাৰে শাসন ভাৰ হাতত লৈছে তেতিয়াৰ পৰা আমি revenue collection কৰাৰ ক্ষেত্ৰত যথেষ্ট সক্ৰিয় হৈছো । যিমান পৰিমাণৰ ৰাজহ আমাৰ আহিব লাগে সিমান খিনি অনাৰ কাৰণে আমি উপযুক্ত পদক্ষেপ লোৱাৰ পিছত যোৱা বছৰত ১৪০ কোটি টকা revenue collection কৰিব পাৰিছো। আপুনি যিহেতু ৩১ জানুৱাৰী লৈকে সুধিছে গতিকে এই বছৰতো আমাৰ revenue collection হ'ব লাগে । আমাৰ working season টো এতিয়াহে চলি আছে গতিকে আমি আশা ৰাখিছো যে 100 crore cross কৰিব পাৰিম আৰু মাৰ্চ মাহলৈকে আমাৰ কিমান collection আহে তাৰ ওপৰত depend কৰি exact figure টো পাম। এতিয়া on going process ত আছে। যোৱা বছৰ আমি achieve কৰিব নোৱাৰিলো যদিও এইবাৰ আশা ৰাখিছো, আমি যথেষ্ট revenue collection কৰিব পাৰিম। কাৰণ যোৱা বছৰ তেওঁলোকৰ Range Officeত আৰু বেলেগ বেলেগ Office ত যিবিলাক শিচু কাঠ আছিল সেই কাঠ বিলাক বিক্ৰী হোৱা নাছিল। সেইবোৰ আমি auction ত দি বিক্ৰী কৰা কাৰণে তাৰ পৰা আমি extra পইচা পাইছো। এইবাৰ আমাৰ তেনেকুৱা ধৰণৰ কাঠ নাই। গতিকে ১৪০ কোটি টকাটো আমি achieve কৰিব পাৰিম নে নাই তাৰ সন্দেহ আছে যদিও আমি ১০০ কোটি টকা achieve কৰিব পাৰিম বুলি আপোনাক প্ৰতিশ্ৰুতি দিলো।

**মাননীয় অধ্যক্ষঃ** যোৱাবাৰ ১৪০ কোটি টকাৰ যি revenue পাইছে সেইটো highest হয় আৰু এইবাৰো তেনেধৰণে চেষ্টা কৰি আছে সেইটো ভাল হৈছে। গতিকে এনেকুৱা ধৰণৰ গুৰুত্বপূৰ্ণ কথাবোৰ আপোনালোকে সদনত আনিব। এতিয়া, ইমানুৱেল মুচাহাৰী।

**শ্ৰী ইমানুৱেল মুচাহাৰী, (তামুলপুৰ)ঃ** অধ্যক্ষ মহোদয়, মই ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ যি প্ৰশ্নৰ উত্তৰ, Contractor registry সম্পৰ্কত ইয়াত যি document জমা দিয়া হৈছে, সেইটো একেবাৰে অস্পষ্ট হোৱা হেতুকে ইয়াত পঢ়িব নোৱাৰি। তেওঁলোকে যাতে হাতে লিখা তথ্য xerox কৰি ইমান অস্পষ্ট ভাৱে নিদিয়ে সেই বিষয়ে মই আপোনাৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই বুজিছো।মন্ত্ৰী ডাঙৰীয়ানী, আপুনি এইক্ষেত্ৰত আপোনাৰ বিষয়া সকলক প্ৰশ্ন সমূহৰ উত্তৰ দাখিল কৰোঁতে তথ্যবোৰ স্পষ্ট ভাৱে দিবলৈ কৈ দিব। এতিয়া, জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে আমাৰ বৰপেটা জিলাত বেকী নদী, জয়পুৰ ঘাট, বৰদঙা, মিচুকা, চাপাগ্ৰামাত যি বালিৰ মহল আৰু শিলৰ কোঁৰাৰী আছে, এই ক্ষেত্ৰত দেখা যায় যে কিছু দিন ধৰি বিভিন্ন বাতৰি কাকত আৰু স্থানীয় ৰাইজে বিভিন্ন প্ৰতিবাদ কৰি আছে যে তাত ছিণ্ডিকেট ৰাজ চলি আছে, যি সকলৰ নামত বালিৰ মহল আবণ্টন দিয়া হৈছে আৰু তেওঁলোকক যি সীমা নিৰ্ধাৰণ কৰা হৈছিল সেই সীমা খিনি অতিক্ৰম কৰিছে। গতিকে আ পোনাৰ জৰিয়তে মই জানিব বিচাৰিছো যে এই বিষয়ে মন্ত্ৰী ডাঙৰীয়া আৰু বিভাগ অৱগত নেকি ? যদি অৱগত, ইয়াৰ ওপৰত এটা উচ্চ স্তৰীয় তদন্তৰ ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, পৰিৱেশ আৰু বন ই ত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই চাপাগ্ৰামাৰ ৰাইজৰ ফালৰ পৰা Report পাইছো আৰু লগে লগে আমাৰ বিষয়া সকলক এইটো বন্ধ কৰাৰ বাবে দায়িত্ব দিছো। গতিকে এইটো নিশ্চয় বন্ধ হ'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মতিউৰ ৰহমান মণ্ডল।

**ডাঃ মতিউৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় পৰিবেশ আৰু বনমন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো, যিহেতু মোৰ সমষ্টি মানকাছাৰ ব্ৰহ্মপুত্ৰৰ যি দক্ষিণপাৰ তাত আমাৰ কোনো শিল বা বালিৰ মহল নাই। আমি মেঘালয়ৰ ওপৰত নিৰ্ভৰশীল। যোৱা বছৰ মেঘালয়ৰ পৰা আমি শিল বালি পোৱা নাই। আমাৰ কামবোৰ প্ৰায় বন্ধ হৈ আছে। উত্তৰ পাৰৰ পৰা নৌকা জাহাজেৰে আমি কিছু বস্তু কঢ়িয়াই আনি কাম কৰিব লগীয়া হৈছে। গতিকে আমাৰ সমষ্টিবোৰ উন্নয়নৰ কাৰণে বিশেষ ব্যৱস্থা লৈছে নেকি আৰু contractor বোৰে যিহেতু ব্ৰহ্মপুত্ৰ পাৰ কৰি শিল, বালি আনিব লগীয়া হৈছে গতিকে খৰচ বেছি পৰি যায়। ইয়াৰ কিবা বিশেষ ব্যৱস্থা লব নেকি ? ধন্যবাদ।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** দক্ষিণ শালমাৰাত তেনেকুৱা ধৰণৰ মহল বনাব পৰা ব্যৱস্থা নাই। গতিকে তাত মহল হ'ব নোৱাৰে। পাঁথৰ কুৱাৰী হ'ব নোৱোৰে। গতিকে আপুনি একেবাৰে ওচৰৰ ৰাজ্য মেঘালয়ৰ পৰা লৈ যাব লাগিব। মেঘালয়ৰ পৰা আপুনি কিনিব লাগিব। নহ'লে অসমৰ পৰা লৈ যাবলৈ হ'লে আপুনি জাহাজেৰে লৈ যাব লাগিব। তেতিয়া বেছি costly হয় আৰু costly হয় বাবেই দক্ষিণ শালমাৰাই মেঘালয়ৰ পৰা পাথৰ আনি কামটো কৰিব লাগে আৰু তাত কোনো বাধা নাই। আমাৰ অসমলৈ Neighbouring Country ৰ পৰা বিভিন্ন ঠাইত অনা হয় ওচৰ হোৱাৰ কাৰণে। কাৰণ Transportation cost টো বেছি পৰি যায়। সেইকাৰণে অন্যান্য অঞ্চল সমূহতো তেনেকুৱা ধৰণে কৰা হয়। গতিকে এই দুটাৰ মাজৰ কোনটো prefer কৰে এইটো আপোনাৰ কথা। জাহাৰেৰে অনাটো নে Neighbouring State ৰ পৰা অনাটো prefer কৰে।

**ডাঃ মতিউৰ ৰহমান, মানকাচৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মেঘালয়ে যোৱা বছৰৰ পৰা বন্ধ কৰি ৰাখিছে। তেওঁলোকে আমাক supply নিদিয়ে। যিহেতু বন্ধ হৈ আছে আমাৰ উত্তৰ পাৰত emmergency হিচাবে কাম কৰিব লগীয়া হৈছে, costly হৈছে। গতিকে এই ক্ষেত্ৰত আমি কি কৰিম ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে মেঘালয়ৰ বোধকৰো নিজৰ কাম আছে সেয়ে অন্য ৰাজ্যত দিব বিচৰা নাই।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মেঘালয়ে এতিয়া খুলিছে। তেওঁলোকে Mines and Minerals ৰ rule টো frame কৰা নাছিল কাৰণে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক বন্ধ কৰি দিছে। এতিয়া

খুলিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question no. 104. Shri Nurul Huda. Minister Food and Civil Supply.

**শ্ৰী ৰিহন দৈমাৰী, (খাদ্য আৰু অসামৰিক যোগান বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে আৰু তেওঁ খাদ্য সুৰক্ষা আইনৰ অধীনত প্ৰতিখন কাৰ্ডৰ বিপৰীতে ১ কেজি ৩০০ গ্ৰাম কৈ আটা প্ৰতি মাহে দিয়ে। অধ্যক্ষ মহোদয়, এখন কাৰ্ডৰ বিপৰীতে ১০ জনকৈ মানুহ থাকিব পাৰে। সেই হিচাবত এজন মানুহে মাহেকত ১৩০ গ্ৰাম আটা পাব। বৰ্তমান আটাৰ চাহিদা বেছি। যিহেতু বেছি সংখ্যক মানুহৰে ডায়েবেটিচ বেমাৰ। গতিকে তেওঁলোকক আটাৰ প্ৰয়োজন হয়। যদি এমাহত এটা দিনত এসাঁজ আটা খায়, তেওঁক ৩০ দিন আটাৰ প্ৰয়োজন হ'ব। গতিকে মাহত এজন মানুহৰ ৩ কেজিলাগে। পূৰ্বতে দেখা গৈছে যে এটা সমবায়ে ২৫০-৩০০ কুইণ্টললৈকে আটা পাইছিল আৰু বৰ্তমান ৫০-৬০ কুইণ্টলকৈ আটা পায়। সেইকাৰণে আটাৰ পৰিমাণটো বঢ়াব লাগে আৰু যিখিনি ঘেহু কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ ৰাজ সাহাৰ্য্য যোগে পঠিয়াই - ৫৭৮ মেট্ৰিকটন ঘেঁহু। অসমলৈ আহে তাৰে ৪১৪৯ মেট্ৰিকটন ঘেঁহু। " ৰোলাৰ ফ্লৰ মিল" সমূহক আৰু ১১৭০ মেট্ৰিকটন Modern Chakki মিল সমূহক দিয়া হয়। এই ঘেঁহু আবণ্টনৰ ক্ষেত্ৰত কিবা চিণ্ডিকেট চলি আছে নেকি মন্ত্ৰী মহোদয়ে লক্ষ্য কৰিব লাগে আৰু যদি আছে এইটো বন্ধ কৰিব লাগে। সমান ভাৱে বিতৰণ কৰিব লাগে আৰু ঘেঁহুৰ পৰিমাণ বেছি কৰি পৰ্য্যাপ্ত পৰিমাণে আটা যাতে আমাৰ গ্ৰাহক সকলে পাই তাৰ ব্যৱস্থা কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Minister.

**শ্ৰী ৰিহন দৈমাৰী, (খাদ্য আৰু অসামৰিক যোগান বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আটা বেছিকৈ দিব পৰা হ'লে অসমত ভাল পালো হেতেঁন। কিন্তু যিহেতু wheat টো আমি খুব কম পৰিমাণে পাওঁ, সেইকাৰণে ৰাইজে বিচৰা ধৰণে আমি দিব পৰা নাই। আমি সকলোৱে জানো যে যোৱা চৰকাৰৰ দিনত এই আটা বজাৰত ইমান বেছি পৰিমাণে গৈছিলে কিন্তু যোৱা ২০১৫ চনত যেতিয়া National Food Security Act আহিল তেতিয়া পূৰ্বৰ চৰকাৰখনে এটা সিদ্ধান্ত ল'লে যে অসমত আটা খোৱা মানুহ নাই সকলোৱে চাউল খায় আৰু সেয়েহে তেওঁলোকে National Food Security Act ৰ অধীনত যিখিনি আটা আহিব সেইটো পূৰ্বৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ লিখি দিলে যে আমাক আটা নালাগে, গোটেইখিনি চাউল লাগে আৰু সেয়ে কেন্দ্ৰীয় চৰকাৰখনে আমাৰ ৰাজ্যখনৰ প্ৰায় ২ কোটি ৫১ লাখ মানুহৰ কাৰণে চাউল দিয়াৰ ব্যৱস্থা কৰিছে। আমি দায়িত্ব লোৱাৰ পিছতে এই আটাখিনি কিছু বঢ়াব পাৰি নেকি এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছিলো। কিন্তু এতিয়ালৈকে আমি সেইখিনি বঢ়াব পৰা নাই। আমি যিখিনি আটা পাইছো সেইখিনি আমি তিনিটা council ত ৮ শতাংশ কৈ দি দিওঁ আৰু Modern Chakki Mill বিলাকৰ কাৰণে ২২ শতাংশ যিখিনি উপায়ুক্ত আৰু SDO,Civil সকলে Modern Chakki Mill বিলাকক milling কৰিবৰ কাৰণে দি দিয়ে আৰু সঞ্চালকালয়ৰ পৰা ৭৮ শতাংশ আমি Flour Mill বিলাকক দিওঁ আৰু Farmer agent সকলে সেই Chakki Mill আৰু Flour Mill বিলাকৰ পৰা কালেক্ট কৰি যি সকলৰ priority card আছে সেই সকলক দিয়াৰ ব্যৱস্থা কৰিছো। গতিকে আমি চেষ্টা অব্যাহত ৰাখিছো। পৰৱৰ্তী সময়ত

wheat টো বেছিকৈ পালে আমি বেছিকৈ দিয়াৰ ব্যৱস্থা কৰিম।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দেখা গৈছে যে কিছুমান সমবায় সমিতিয়ে আটাৰ যিটো allotment দিয়ে তেওঁলোকে সেইটো নুঠায় আৰু নুঠুৱাৰ কাৰণটো হৈছে তেওঁলোকৰ যিবিলাক agent থাকে ধৰা হ'ল এটা সমবায়ত ৫০-৬০ জন agent আছে, ৫০ জনে যদি ৫০ কুইণ্টল আটা পায় গতিকে এজনকে ১ কুইণ্টলকৈ আটা দিব লাগে আৰু এই ১ কুইণ্টল আটা agent জনে নি বিতৰণ কৰিব নোৱাৰে আৰু কাজিয়াৰ সৃষ্টি হয় আৰু agent জন সমস্যাৰ সন্মূখীন হ'বলগীয়া হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ যিটো উদ্দেশ্য সেই উদ্দেশ্যটো সফল কৰি তুলিবৰ বাবে আমাৰ চাহিদা যে বাঢ়িছে এই ক্ষেত্ৰত চৰকাৰে এটা প্ৰস্তাৱ দিব লাগে যাতে ঘেহুঁৰ সংখ্যাটো বঢ়াই দিয়া হয়। গতিকে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা পদক্ষেপ ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , Minister.

**শ্ৰী ৰিহন দৈমাৰী, (খাদ্য আৰু অসামৰিক যোগান বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই Union Food and Civil Supply Minister ৰ লগত ইতিমধ্যে আলোচনা কৰিছে। তৎস্বত্বেও আমি এইটো বঢ়াবৰ বাবে সক্ষম হোৱা নাই। অধ্যক্ষ মহোদয়, quantity খুব কম হোৱা বাবে ডাঙৰ সমস্যাৰ সৃষ্টি হৈছে। কিছুমান flour mill বিলাকে milling কৰিবৰ কাৰণে অনীহা প্ৰকাশ কৰিছে আৰু আজিৰ তাৰিখত আমাৰ ৰাজ্যখনত বহুটো flour mill বিলাকে withdraw কৰিছে কম quantity হোৱাৰ বাবে, তেওঁলোকে milling নকৰে আৰু সমবায় এজেণ্ট বিলাকে যথেষ্ট সমস্যাৰ সন্মূখীন হৈছে। ইমান কম quantity য়ে আমাৰ যিসকল card holder তেওঁলোকে জানে আৰু বজাৰতো বিক্ৰী কৰিব নোৱাৰে। গতিকে কি বঢ়াব পাৰি আমি তাৰ বাবে চেষ্টা কৰিছো। যদি আমি বঢ়াব পাৰো তেনেহ'লে অলপ বেছিকৈ দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পূৰ গুৱাহাটী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ আগলৈকে অৰ্থাৎ ২০১১ পৰা ২০১৫ চনলৈকে বিগত চৰকাৰৰ দিনত যথেষ্টখিনি ঘেঁহুৰ আবণ্টন দিয়া হৈছিল। কিন্তু আমি জনামতে বহু সুলভ মূল্যৰ দোকানে এই ঘেঁহুৰ যোগান ধৰা নাছিল আৰু দেখা গৈছে যে, বহু ঘেঁহু, আটা বিভিন্ন চাকিলৈকে যিবিলাক মিল আছে, বা ৰোলাৰ মিল আছে, ফ্লৰ মিল আছে সেই সকললৈ যেতিয়া ঘেঁহুৰ আবণ্টন দিয়া হৈছিল, তাতে যথেষ্টখিনি কেলেংকাৰী সংঘটিত হৈছিল আৰু বহু আটা কলা বজাৰত বিক্ৰী কৰা হৈছিল। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ২০১১ চনৰ পৰা ২০১৫ চনলৈকে যিখিনি কেলেংকাৰী সংঘাত হ'ল ইয়াৰ ওপৰত এটা তদন্ত কৰিব নেকি? কাৰণ আমি জানো মই নিশ্চিয় ভাৱে কব পাৰো যে ২০১১ চনৰ পৰা ২০১৫ চনলৈকে ঘেঁহুৰ কেলেংকাৰী সংঘটিত হোৱাটো নিশ্চিত। গতিকে সেই সময়ত ৰাইজে যি ধৰণে ঘেঁহুৰ আটা পাব লাগিছিল, আমাৰ সুলভ মূল্যৰ দোকানৰ জৰিয়তে সেই আটা কিন্তু পোৱা নাছিল। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ.

**শ্ৰী ৰিহণ দৈমাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য কলিতা ডাঙৰীয়াই যিখিনি কথা অৱগত কৰিছে, আমি তেনেকুৱা ধৰণৰ নিৰ্দ্দিষ্ট তেনেকুৱা অভিযোগ আমি পোৱা নাই। যিহেতু আজি

সদনত কথাটো উত্থাপিত হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ লগত বিষয়টো আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ওয়াজেদ আলি চৌধুৰী।

**শ্ৰী ওয়াজেদ আলি চৌধুৰী, ( মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ধুবুৰী জিলা আৰু দক্ষিণ শালমৰা মানকাছাৰ জিলাত ঘেঁহুৰ আবণ্টন বৰ্তমানলৈকে দি থকা হৈছে নে নাই প্ৰথমতে। দ্বিতীয়তে, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত যি চাউলৰ প্ৰতিজন ব্যক্তিক ৫ কিলোকৈ চাউল দিয়াৰ এটা ব্যৱস্থা আছিল বুলি আমি জানো কিন্তু বৰ্তমানে আমাৰ দক্ষিণ শালমৰা, মানকাছাৰ জিলাত ৫ কেজিৰ পৰিবৰ্তে চাৰিকেজিকৈ চাউল দিয়া হৈছে আৰু ধুবুৰী জিলাৰ কৰবাত চাৰে চাৰি কেজিলৈকে দিয়া হৈছে। আমি প্ৰশ্ন কৰিলে বা উপায়ুক্ত ডাঙৰীয়াক ফোন কৰো যে ৰাইজৰ এই অভিযোগ আছে তেওঁ কয় যে তেওঁলোকে কেৰিং চাৰ্জ নাপায়, সেইকাৰণে সেই ব্যৱস্থা তেওঁলোকে কৰিছে। গতিকে এই চাউল কেৰিং কৰাৰ কাৰণে কিবা কেৰিং চাৰ্জ চৰকাৰৰ ফালৰ পৰা দিয়া হয়া হয় নে নহয়? যদি দিয়া হয়, তেতিয়াহ'লে প্ৰতিজন ব্যক্তিৰ পৰা ১ কেজিকৈ চাউল, ৫ কেজিৰ ভিতৰত ১ কেজি চাউল কাটি ৰখা হয়। ইয়াৰ এটা এনকুৱেৰী কৰাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** থেংক ইউ।

**শ্ৰী ৰিহণ দৈমাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, অন্যান্য জিলাৰ লেখীয়াকৈ ধুবুৰী জিলাতো চাউল আৰু ঘেঁহু নিয়মিতভাৱে দি থকা হৈছে। চাউল; ঘেঁহু আৰু কেৰাচিন এই তিনিটা সামগ্ৰী বাহিৰত যোৱাটো আমিও কমপ্লেইন পাইছিলো আৰু সেই কাৰণে ধুবুৰী জিলাৰ উপায়ুক্ত ডাঙৰীয়াক আমি এনকুৱেৰী কৰিবৰ কাৰণে দিছিলো। সেই এনকুৱেৰী ৰিপোৰ্টত কি আহিছে মই তেতিয়ালৈকে পোৱা নাই। গতিকে আমি নিশ্চিতভাৱে ব্যৱস্থা লম্। যদি এই ঘেঁহু আৰু চাউল তেনেকুৱা ধৰণৰ বাহিৰত গৈছে, সেইটোৰ আমি বিহীত ব্যৱস্থা লম। এনকুৱেৰীত যি ৰিপোৰ্ট আহে, সেইটো আমি কৰিম। ট্ৰাঞ্চপোৰ্টেটেশ্যন আৰু কমিশ্যনাৰৰ টকা। ট্ৰেঞ্চপোৰ্টটেশ্যন বাবদ আমি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যিখিনি খৰচ হয়, সেইখিনি আমি দি দিও। আনকি সমবায় এজেণ্ট বিলাককো? সেই চাউলটো বিক্ৰী কৰাৰ নামত আমি দি দিও। আমাৰ চৰকাৰৰ পৰা টকা দিয়া থাকে। গতিকে তিনিটকাৰ ঠাইত কোনো এজেণ্টে চাৰি টকা লব নোৱাৰে। পাঁচকিলো ৰ ঠাইত কোনেও চাৰিকিলো দিব নোৱাৰে। সেইখিনি ব্যৱস্থা আমাৰ আছে। যদি আমাৰ সন্মানীয় সদস্যই তেনেকৈ সঠিক ভাৱে আমাক কোনোবা যদি এনেকৈ কৰিছে, যদি আমাক উপযুক্ত তথ্য-সহকাৰে আমাক দি দিয়ে, আমি এনকুৱেৰী কৰাৰ ব্যৱস্থাটো কৰিম।

**শ্ৰীওয়াজেদ আলি চৌধুৰী, ( মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দায়িত্ব সহকাৰে এজন বিধায়ক হিচাবে কৈছো, চাৰি কেজিকৈ চাউল মোৰ সমষ্টিৰ প্ৰত্যেকটো সমবায় সমিতিয়ে বিতৰণ কৰি আছে। এই কমপ্লেইন পোৱাৰ পাছত উপায়ুক্ত ডাঙৰীয়াক ফোন কৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক কৈছো, আজি যিহেতু হাউচত তেখেতে স্পেচিফিক কৈছে, মই আপোনাক কৈছো মই যিহেতু ইয়াতে আছো, আপুনি In writing তেখেতক দিয়ক তাৰ এটা কপি মোকো দি দিয়ক। তেতিয়া তেওঁ এটা এনকুৱেৰী কৰিম বুলি কৈছে।

**শ্ৰীওয়াজেদ আলি চৌধুৰী, ( মানকাছাৰ) ঃ** আজি মই নিজে বিধায়ক হিচাপে অভিযোগ আনিছো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত আপুনি কৈছে তেখেতেও তাৰ উত্তৰ দিছে। মই আপোনাৰ দুয়োজনৰে কথা বুজিছো।

**শ্ৰীওয়াজেদ আলি চৌধুৰী, ( মানকাছাৰ) ঃ** স্পেচিফিক বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** কোন কেইখন কো-অপাৰেটিভয়ে তুলিছে, দিব। আপুনি তাৰ এখন কাগজ দি দিয়ক। মই সেইকাৰণে কৈছো I will look into it. শ্ৰী মামুদ ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুদ ইমদাদুল হক চৌধুৰী, ( নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ একেধৰণৰ এটা প্ৰশ্ন মই যোৱা বছৰ আনিছিলো আৰু তেতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে প্ৰতিখন কাৰ্ডৰ বিপৰীতে এক কেজিকৈ নিমখ সুলভ মূল্যত যোগান ধৰা হয়। কিন্তু চাৰ মোৰ আজি প্ৰায় ২০ মাহ হ'ল আজিলৈকে এনেকুৱা ধৰণৰ ১ কেজিকৈ নিমখ যোগান দিয়া দেখা নাই লখীমপুৰত। গতিকে এইটো চাৰ, স্পষ্টিকৰণ মই বিচাৰিছো চাৰ আৰু দ্বিতীয়তে একেধৰণৰ এটা কুৱেশ্যন চাৰ, মোৰ লিখিত প্ৰশ্ন নং ২২৫, চেনী সম্পৰ্কে। চেনী যোগান সম্পৰ্কে চাৰ কুৱেশ্যন আনিছিলে লি খিত ২২৫। ইয়াত চাৰ, ২০১৩ চনৰ পৰা এই সুলভ মূল্যত চেনী দিয়াতো বন্ধ হৈ আছে। গতিকে এইটো চাৰ, পুণৰ আৰম্ভ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে যদি কৰে, নিশ্চয় ভাল হ'ব। ইয়াৰ ওপৰত চাৰ মই এটা স্পষ্টিকৰণ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ।

**ৰিহণ দৈমাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, নিমখ আমাৰ সুলভ মূল্যৰ যোগেদি যোগান ধৰাৰ ব্যৱস্থা আছে। কিন্তু সুলভ মূল্যতকৈ বজাৰৰ মূল্যটো বেছি কম হোৱাৰ কাৰণে যিসকলে আনে তেওঁলোকে নিমখটো আনিবৰ কাৰণে ইচ্ছা প্ৰকাশ নকৰে। সেইটো আমাৰ এটা ডাঙৰ সমস্যা আছে। তথাপিও আমি চেষ্টা কৰিছো যে, সময়মতে সেই নিমখবিলাক আনিব পাৰো আৰু ৰাইজক যাতে দিব পাৰো তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰি আছো। আৰু চেনীৰ ক্ষেত্ৰত যোৱা বিত্তিয়বৰ্ষত আমি খুৱ চেষ্টা কৰিছো আনকি আমি নিবিদা আহ্বান কৰিছিলো। কিন্তু এই বিত্তীয় বৰ্ষত আমাৰ কেন্দ্ৰীয় চৰকাৰে গোটেই চেনীৰ যিটো চাবচিডি, সেইটো উঠাই দিছে। এতিয়া চেনীৰ ক্ষেত্ৰত কোনো চাবচিডি নাই। সেই কাৰণে আমি চাবচিডাইজ ৰেটত চেনীটো দিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পাছত কুৱেশ্যন নাম্বাৰ ১০৫। শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুঙাজান এম ভি গাওঁ পঞ্চায়ত, সেইখন এখন অসমৰ পঞ্চায়ত। সেইখন নাগালেণ্ডৰ নহয়। এতিয়া ইয়াত ষ্টনক্ৰেছাৰ স্থাপন কৰিবলৈ নগা দুৰ্বৃত্তই বেদখলকাৰীয়ে চেষ্টা চলাইছে আৰু নিৰপেক্ষ বাহিনীয়ে সেইটোক বাধা দি পেলাই তাত বহুৱাতো কৰা নাই। অধ্যক্ষ মহোদয়, এই অঞ্চলটোত এই যিবিলাক বস্তি আছে, নিতেজু বস্তি, কেউ জু বস্তী, চেকাই বস্তি, বিচি বস্তি, পিয়েকু বস্তি। এই বস্তিবিলাক অসমৰ হয় নে নহয়? ইয়াত এতিয়া নিতেজু বস্তিত চ'মিল আছে, ইটা ভাটা আছে, কেউটবস্তিত চ'মিল আছে, তাত দুটা চ'মিল আছে আৰু তাতো এটা ভাটা আছে। চেকাই বস্তিত চ'মিল আছে। এই বিচি বস্তিটো ষ্টনক্ৰেছাৰ কৰা কথাটো কুৱেশ্যন কৰিছিলো, কুৱেশ্যনটোত এইটো ঠিকেই দিছে। আজি কুৱেশ্যনটো কৰাৰ কাৰণে ইয়াত কৈছে যে, নিৰপেক্ষ সহস্ত্ৰ বাহিনীয়ে বাধা প্ৰদান কৰাত ক্ৰেছাৰ মেচিনটো স্থাপন কৰিব পৰা নাই। তাৰমানে তাঁলৈ যে নগা আহি ক্ৰেছাৰ মেচিন বহুৱাব বিচাৰিছিল যে, কামটো সঁচা। এতিয়া এই জাগাবিলাক অসমৰ হয় নে নহয়। ডিমাপুৰত দিয়াৰ লগতে এই অঞ্চলবোৰ দিয়া মই জানিব বিচাৰিছো যে, এই বস্তিবোৰ এইবিলাক অসমৰ হয় নে নহয়। দ্বিতীয় কথাটো হৈছে অধ্যক্ষ মহোদয়, যে দৈয়াং বনাঞ্চল, ৰেঙমা বনাঞ্চল আৰু ডিফু বনাঞ্চল। এই বনাঞ্চল বিলাকৰ পৰা পাথৰ নাগালেণ্ডে পাৰমিট দিছে, নাগালেণ্ডে দিছে আৰু নাগালেণ্ডে আকৌ পাথৰখিনি লৈ বিক্ৰী কৰিছে আৰু অসমতে বিক্ৰী

কৰিছে। তাৰমানে অসমৰ বস্তু অসমত বিক্ৰী কৰিছে। কিন্তু পাৰমিটখন নাগালেণ্ডৰ যে এই কথাটো মন্ত্ৰী মহোদয়ে জানে নে নাজানে যে ৰেঙমা বনাঞ্চলত দৈয়াং বনাঞ্চলত, ডিফু বনাঞ্চলত এই যে ঘটনাটো ঘটি আছে, এইটো এটা মই জানিব বিচাৰিছো। আৰু এটা হৈছে...

**মাননীয় অধ্যক্ষ ঃ**-একে লগে কেইবাটাও নকৰিব।

**শ্ৰী প্ৰদীপ হাজৰিকা, সদস্য ঃ**- তিনিটা একেলগে কৰি দিছো। তেখেতে তিনিওটাৰ একেলগে উত্তৰ দিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ**-এই যে বনাঞ্চল বিলাক, আমাৰ যেনেকৈ দিচৈভেলি, যেনেকে আমাৰ গেলেকী ৰিজা ভ, যেনেকে অভয়পুৰি ৰিজাভ, এই ৰিৰ্জাভবোৰ প্ৰকৃততে অসমৰ নে নাগালেণ্ডৰ? মই এই তিনিটা কথা জানিব বিচাৰো। এটা হ'ল এই বস্তিবিলাক যদি অসমৰ হয়, এই যে চ' মিল বিলাক আছে সেইটো। দ্বিতীয়তে ইয়াৰ পৰা যে পাথৰবোৰ নাগালেণ্ডে পাৰমিট দি অসমৰ মানুহকে বিক্ৰী কৰিছে অসমৰ বস্তুটো সেইটো আৰু তৃতীয়তে এই বনাঞ্চল বিলাক অসমৰ নে নাগালেণ্ডৰ?

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ, Hon'ble Minister---

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হাজৰিকা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, সেই বিষয়টো প্ৰকৃততে, অসম আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলত, মই নিজে এবাৰ ৰেংমাত গৈছিলো। গৈ পেলাই দেখিছো আপুনি যিটো কথা কৈছে সেইটো সত্য হয়। আমাৰ পাথৰ, আমাৰ পাথৰটো নাগালেণ্ডৰ ফালৰ পৰা এইটো পাৰমিট দিছে। বালি পাথৰ। কিন্তু মই নিজে দেখিছো আৰু ষ্টক কৰিছে আমাৰ অসমৰ মাটিত। কিন্তু তাতটো এনেকুৱা ধৰণৰ কাম কৰিব নোৱাৰে। তাত এচ ও পি আছে। ষ্ট্ৰেণ্ডাৰ্ড অফ প্ৰচিজিডিউৰ সেইটো কৰা আছে অসম চৰকাৰ আৰু নাগালেণ্ড চৰকাৰৰ লগত। গতিকে দুয়োটা চৰকাৰৰ বিষয়া সকলে তাত ডিউটি দি থাকে আৰু মই তাত যোৱাটো, তেওঁলোকে অলপ অসুবিধাও পাইছে, মইয়ে তাত গৈছো, সেই গতিকে মই তাত গৈ নিজে স্বচকুৰে দেখা পাইছো আৰু বন্ধ কৰিবৰ কাৰণে কোৱা হৈছে। ডি এফ অ' ক মই বন্ধ কৰিবলৈ কৈছো। ষ্টকবোৰ ডাঙৰ বালি আৰু পাথৰ ষ্টক কৰা হৈছিল। মানে সেইটো ইলিগেল। মই বন্ধ কৰিবৰ কাৰণে কৈছিলো গোলাঘাট ডি এফ অ ক। এইটো যদি চলি আছে মই নাজানো। যদি চলি আছে, আমাৰ বিষয়া সকলক মই এক্সপ্লেনেশ্যন কল কৰিম। যদি চলি আছে, সেইটো কৰিম আৰু যিটো ক্ৰেচাৰ মেচিনৰ কথা কৈছে, ইয়াত উত্তৰতে দিয়া হৈছে। তেওঁলোকে সেইটো চেষ্টা চলাইছিল। চেষ্টা চলাইছিল কিন্তু বন বিভাগৰ পৰা কোনো ধৰণৰ অনুমোদন দিয়া হোৱা নাই আৰু তেওঁলোকে মানে নিৰপেক্ষ স-শস্ত্ৰ বাহিনীৰে তেওঁলোকক পঠাই দিছে আৰু আমাৰ ডি এফ অ গোলাঘাট। গোলাঘাটৰ ডি এফ অ ই এটা তেনেকুৱা ধৰণৰ ক্ৰেচাৰ চ' মিলৰ, হেণ্ড চ' মিলৰ মেচিনটো উঠাই আনিছিল। উঠাই অনাৰ পাছত নাগালেণ্ডৰ চৰকাৰে বাৰে বাৰে আমাৰ ডি চি ক বাৰে বাৰে অনুৰোধ কৰিছে যে সেইটো ঘূৰাই দিব লাগে। নহলে তাত Law & order ৰ চিটোৰেশ্যন হব লাগে। হব পাৰে । সেই গতিকে আমাৰ উপায় নাই। এই ক্ষেত্ৰত আমাৰ বন বিভাগে নিজাববীয়াকৈ একো কৰিব নোৱাৰে। তাত এগ্ৰিমেন্ট আছে। এই এগ্ৰিমেন্ট মতে তাত থকা ফৰ্চটোৱে কাম কৰিব লাগে। তেওঁলোকৰ বিষয়া আৰু আমাৰ বিষয়া জইণ্টলি সেইটো চোৱা-চিতা কৰিব লাগে। গতিকে আপুনি চৰাইদেউৰ কথা কৈছে। মই মাননীয় সদস্য তপন গগৈ ডাঙৰীয়াৰ লগতো মই ভিজিট কৰিছো, তাতো এনেকুৱা ধৰণৰ। যে কোনো বিভাগে অকলে তেনেকুৱা ধৰণে

কৰিব নোৱাৰে । সেইটো ষ্টেট মেটাৰ হয়, ইণ্টাৰেষ্টট মেটাৰ হয়। এইটো দুয়োটা ষ্টেটেই সেইটো চৰ্ট আউট কৰিব লাগিব। নহলে আমি বিভাগে অকলশৰীয়া ভাবে একো কাম কৰিব নোৱাৰিম। তাত যদি হঠাৎ ল' এণ্ড অৰ্ডাৰ চিটোৰেশ্যন এৰাইজ কৰে, তেতিয়া হলে বহুত ডাঙৰ বিপদ অহাৰ সম্ভাৱনা থাকে। গতিকে চেনচিটিভ এৰিয়া বিলাকত এইটো আমি, আপুনি আৰু মই আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি কি বিহিত ব্যৱস্থা লোৱা যায়, কাৰণ নাগালেণ্ডৰ ফালৰ পৰাও আমাৰ অসমত তেওঁলোকে এনক্ৰোচ কৰাটো বেছি হৈছে। অৰুনাচলৰ ফালৰ পৰাও এনক্ৰোচ কৰি আছে। সেইটো মই জানো। কিন্তু মই তাত যাব নোৱাৰো, গতিকে আমি সকলোৱে মিলি পেলাই সেইটো কেনেকৈ সমাধান কৰিব লাগে সেইটো আমি একেলগে কাম কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ--

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰিঃ**-অধ্যক্ষ মহোদয়, ইয়াত মানে দিছে। দুৰ্বৃত্তই এইটো কৰিছে বুলি কৈছে। কিয় গুচাব নোৱাৰে দুৰ্বৃত্ত বিলাকক আৰু দ্বিতীয় কথা হৈছে যে এইটো যদি ডিস্পোটেড এৰিয়া হয় তেতিয়া হলে নাগালেণ্ডৰ চৰকাৰে কেনেকৈ কব পাৰে যে আমাৰ মেচিনটো ঘূৰাই দিয়ক। কেনেকৈ কব পাৰে। যদি ডিস্পোটেড হয়, যদি আমাৰ ষ্টেটৰ হয়, তেতিয়াতো কোনো কথা কব নালাগে তাত। ষ্টেট কিয় ষ্টেপ লব নোৱাৰে তাত? কি কাৰণে ষ্টেপ ল'ব নোৱাৰিব আৰু যদি গোটেই বনাঞ্চল বিলাক দি দিলে গতিকে এইটো এটা সদনে সিদ্ধান্ত লওঁক যে আমি অভয়াপুৰি ৰিৰ্জাভ দি দিছো নাগালেণ্ডক, গেলেকী ৰিৰ্জাভ দি দিছো, দিচৈবালী দি দিছো, ৰেংমা বনাঞ্চল দি দিছো, আমাৰ দৈয়াং বনাঞ্চল দি দিছো দিফু বনাঞ্চল দি দিছো, কিন্তু তেওঁলোকে যদি ডিস্পোটেড এৰিয়াত আহি বস্তি খুলিব পাৰে, মেচিন তাত ঠিক কৰিব পাৰে, পাৰমিট দি পেলাই কাম কৰিব পাৰে, তেতিয়া হলে আমাৰ চৰকাৰ থকা নথকাৰ কি অৰ্থ আছে, অধ্যক্ষ মহোদয়, আৰু দুৰ্বৃত্ত হয়, তেতিয়া হলে Why can not our Government take action notice? এইটো কথা লাগিব নহয়।

**মাননীয় অধ্যক্ষ ঃ**- মন্ত্ৰী ডাঙৰীয়ানী,

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই ক্ষমা মাগিছো। মই ভুল কৈছো। নাগালেণ্ড চৰকাৰৰ পৰা নহয়। আমাৰ স-শস্ত্ৰ বাহিনী যিটো আছে, তেওঁলোকৰ ফালৰ পৰাহে কৈছিল ঘুৰাই দিবৰ কাৰণে। নগা যিবিলাক যুৱক, তেওঁলোকে যিটো মেচিন তাত বহুৱাইছিল, সেইটো ঘুৰাই দিবৰ কাৰণে আমাক বাৰে বাৰে কৈছিলে কিন্তু মই কৈছো যে ডি চি আৰু আমাৰ বিভাগৰ বিষয়াক যে ঘূৰাই দিব নালাগে। এইটো কৈ আহিছো। এতিয়া পিছত কি হৈছে মই খবৰ লোৱা নাই। বোধ হয় ঘূৰাই দিছে। শান্তি-সম্প্ৰিতি বজাই ৰখাৰ ক্ষেত্ৰত কিছুমান ইমিডিয়েট কামটো কৰিব লাগিব। সেই গতিকে বোধ হয় ঘূৰাই দিছে। মই সেইটো ইনফৰমেশ্যন পোৱা নাই। তথাপিও মই আপোনাক অনুৰোধ কৰিছো, আপুনি আৰু মই লাগিলে, আমি একেলগে, পাটোৱাৰী ডাঙৰীয়া আছে, আমি একেলগে বহি আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ**- কথাটো আৰু বেছি নালাগে। গোটেই কথাটোত এইটো ঠিক যে অসম নাগালেণ্ড বা অসম মেঘালয়, অসম অৰুনাচল এই বিলাক সিমামুৰীয়া সমস্যা বিলাক আমি সকলো দলৰ সদস্যই আমি জানো। এক মিণিট ,

**শ্ৰী প্ৰদীপ হাজৰিকা, সদস্যঃ**- অধ্যক্ষ মহোদয়, এই যে গেট বিলাক আছে, তাৰ মানে গেট বিলাক এইটো সীমা নেকি? নাগালেণ্ড গেট Is it border of the Nagaland and Assam?

মাননীয় অধ্যক্ষ ঃ- আপুনিও চৰকাৰত এসময়ত আছিল। প্লিজ, চবেই আছো আমি চৰকাৰত। প্লিজ

প্লিজ। আমি এইটোলৈ ইচ্যু নকৰি আমি কেনেকৈ চেটেল কৰিব পাৰি সেইটোলৈ যোৱা ভাল। আপোনাক মন্ত্ৰী ডাঙৰীয়াই কৈছে, আপোনাকো একমপেনি কৰাৰ কথা কৈছে। মই ভাবো যে এই বিলাক প্ৰকৃততে এটা জটিল সমস্যা। প্ৰকৃততে আমি কিবা এটা কৈ দিলে সমস্যা সমাধান নহয়। আমি সকলোৰে ভুক্তভোগী এই বিলাক। কিন্তু এইটো ঠিক Is Government must take strong actio. সেইটো মইও বুজি লও। মই ভাৱো যে মাননীয় মুখ্য মন্ত্ৰীৰ লগত, আপুনিও অলপ আলোচনা কৰিব, প্ৰদীপ হাজৰিকাও যাব। এই কথাখিনি অকনমান যাতে আমাৰ যিটো ৰাইট, সেই ৰাইটটো যাতে, আমাৰ পৰা কোনোৰে লৈ যাব নোৱাৰে তাত আমি নিশ্চিত ভাৰ, আমি সকলোৰেই মিলি এইটো ক্ষেত্ৰত একমত। নেক্সট কোৱেশ্যন।

**কোৱেশ্যন নং ১০৬ ।** আবুল কালাম ৰচিদ আলম ।নাই । যি সকলে পাই, তেওঁলোক নাথাকিলে, অকনমান অসুবিধা হয়। কাৰোবাক দি থৈ যাব লাগে, তেওঁলোকে। তেতিয়া চাপ্লিমেন্টৰি বাকীখিনিয়ে কৰিব পাৰে। শ্ৰী তপন কুমাৰ গগৈ ।

**১০৭।**

মাননীয় মন্ত্ৰী ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী** ঃ-মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

শ্ৰী তপন কুমাৰ গগৈ, সদস্য ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে ইতিমধ্যে উত্তৰ দিছে, কিন্তু আমি দেখিছো যে,স্বাধীনতাৰ পিচত, এইবাৰ যিটো বানপানী হৈছিল, সেই বানপানীৰ ফলত আমাৰ জিলাৰ বিস্তৰ ক্ষতি হৈছিল আৰু আমি দেখিবলৈ পাইছো যে, তাত যিটো জলসম্পদ বিভাগৰ কাৰ্য্যালয় থাকিব লাগে, এই কাৰ্য্যালয় আমাৰ তাত আজিলৈকে স্থাপন নহ'ল আৰু নোহোৱাৰ কাৰণে সময়মতে আমি তাত ইঞ্জিনিয়াৰকে আদি কৰি মানুহ বিচাৰি নাপাওঁ। সেই কাৰণে মন্ত্ৰী মহোদয়ক আমি অনুৰোধ জনাইছিলো যে তাত এটা কাৰ্য্যবাহী অভিযন্ত্ৰাৰ কাৰ্য্যালয় স্থাপন কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নেকি, কাৰণ আমাৰ কেইবাখনো নদী আছে। যিখিনি নদীয়ে খুব নাগালেণ্ডৰ পৰা, অৰুনাচলৰ পৰা পানী আহি এটা ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰে আৰু যিটো স্বাধীনতাৰ পিছত আজিলৈকে হোৱা নাছিল। এই বাৰ অতিকৈ ভয়াবহ হৈছিল। সেই কাৰণে এই কাৰ্য্যালয়টো স্থাপন কৰাৰ ক্ষেত্ৰত খুব জৰুৰী হয়। আমি মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিছাৰিম।

**মাননীয় অধ্যক্ষ** ঃ- মিনিষ্টাৰ প্লিজ ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী** ঃ-মাননীয় অধ্যক্ষ মহোদয়, আজি এক নং কোৱেশ্যনটো একেধৰণৰ, এনেকুৱাই আছিল । সাত নং টোও একেই। আমি এই সমস্যাখিনি অনুভৱ কৰিছো, যে আমাৰ যিবিলাক কাৰ্য্যালয়, ডিভিজন বা চাব ডিভিজন, এই চাব ডিভিজন, ডিভিজন বিলাক যেতিয়া গঠন কৰিছিল তেতিয়া নিশ্চয় নদী চাই কৰিছিল। য'ত সমস্যা আছে তেনেকুৱা লৈ, বা নদীৰ লেংথ লৈ পেলাই ঠিক কৰিছিল আৰু তেতিয়া অবিভক্ত শিৱসাগৰ জিলা আছিল। সেই সময়ত এই বিলাক হৈছিল। অবিভক্ত শিৱসাগৰ জিলা হিচাপে শিৱসাগৰত হেড কোৱাৰ্টাৰ ডিভিজন আছিল আৰু বাকী নাজিৰাত চাব দিভিজন আছিল। আমাৰ কিন্তু এতিয়া কথা হ'ল আমি দেখিছো যে সমস্যা কিছু বাঢ়িছে আৰু জিলা, মহকুমা প্ৰশাসনিক যি বিলাক এলেকা সেই বিলাক এই আমাৰ যেতিয়া ডিভিজন হৈছিল বা চাব ডিভিজন হৈছিল তাতকে এতিয়া বহুখিনি বৃদ্ধি পাইছে। তেনেকে ধুবুৰীত আছে ডিভিজন। বঙাইগাঁৱত চাব ডিভিজনো নাই। এখন জিলা। তেনেকুৱা ধৰণে বহু ঠাইত আমাৰ এই বিষয়টো হৈছে। গতিকে আমি এখন কমিটি এপইণ্ট কৰিব বিছাৰিছো। যিটোৱে ৰিঅৰ্গেনাইজেশ্যন, আমাৰ এইখিনি কথা ৰিঅৰ্গেনাইজেশ্যন, প্ৰথম প্ৰশ্নটো হব কি আমি থকা পোষ্ট যি খিনি আছে, তাৰ

ভিতৰত কিমান ৰিঅৰ্গেনাইজ কৰিব পাৰো। দ্বিতীয় প্ৰশ্নটো হব কি আমি কিমান পোষ্ট চেংচন পালে আমি ইয়াতকৈ আৰু অধিক কৰিব পাৰিম, দুটা পৰ্য্যায়ত। কাৰণ আমি পোষ্ট চেংচন পালে কৰিম বুলি কৈ থৈ দিলেটো নহব। গতিকে আমাৰ বাকী যিবিলাক ইনভেষ্টিগেশ্যন ডিভিজন, এতিয়া যোৰহাটতে এটা ইনভেষ্টিগেশ্যন ডিভিজন আৰু এটা আমাৰ ওৰ্বকিং ডিভিজন। এতিয়া সেই ডিভিজনটোকো আমি নিমাতি ঘাট বা অন্যৰ কাম দিছো। সেই কাৰণে এই গোটেই বিষয়টো আমি এখন কমিটি এপইণ্ট কৰিবলৈ বিচাৰিছো আৰু এই খনে এটা ৰিঅৰ্গেনাইজেশ্যন ৰিপোৰ্ট দিব তাৰ ওপৰত ভিত্তি কৰি আমি যিমান খিনি যোৰা মাৰিব পাৰো মাৰিম।

( সভাপতিৰ সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ১০৮ শ্ৰী ভুবন পেগু, তেখেত সদনত উপস্থিত নাই, গতিকে প্ৰশ্ন নং- ১০৯ শ্ৰী দেবানন্দ হাজৰিকা ।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় মন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰখিনি দিছে, কিন্তু মই উত্তৰখিনি চাই আচৰিত হৈছো -পথাৰত কি হৈ আছে আৰু কাগজে-পত্ৰই কি হৈ আছে! ইয়াত বহুত খেলি-মেলি আছে। যিহেতুকে সদনত ভুল তথ্য দিয়াটো এটা অপৰাধ, গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা তদন্ত কৰিলে ভাল হয়। দ্বিতীয়তে, যোৱা ২০১২-১৩ চনত যিটো লাইন চাৰ্ভে কৰা হৈছিল, তাৰ পিছত আৰু লাইন চাৰ্ভে কৰা হৈছে নেকি ? সাধাৰণতে কিমান ডিউৰেশ্যনত লাইন চাৰ্ভে কৰা যায় ? লগতে যিখিনি টইলেট আৰু পানী যোগান আঁচনিৰ কথা কৈছে, মোৰ সমষ্টিত এতিয়ালৈকে ৩৬ টা একটিভ বুলি কোৱা হৈছে, এইটো কথা নহয়, মাত্ৰ ২ টা হে কাৰ্য্যক্ষম হৈ আছে, বাকী বোৰ ডিফাং হৈ আছে। এই বিলাকৰ কোনো কামেই নাই। মানুহ বিলাকে এনেয়ে পইছা খায় আছে আৰু তাত যি এছ ডি অ' অফিচ আছে তাত বিয়লি ৪ টা বজাত গলে কেৱল চকীদাৰক হে লগ পোৱা যায়, এছ ডি অ'ক পোৱা নাযায়।

**মাননীয় অধ্যক্ষ ঃ** মই কথা খিনি বুজিব পাৰিছো, আপুনি মূল প্ৰশ্ন লৈ আহক।

**শ্ৰী দেৱানন্দ হাজৰিকা ঃ** গতিকে এই বিলাকৰ ওপৰত কিবা একচন লব নেকি আৰু চাৰ্ভেৰ ক্ষেত্ৰত তদন্ত কৰি সঠিক উত্তৰ এটা আমাক দিব বুলি আশা কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াত আমি যিটো তথ্য দিছো, সেইটো ভুল তথ্য দিয়া বুলি কৈছে। বিষয়টো মই এনকোৱাৰী কৰিম আৰু যদি সঁচাকৈয়ে ভুল তথ্য দিছে, সেই সংশ্লিষ্ট বিষয়াৰ ওপৰত মই ব্যৱস্থা লম। আমাৰ স্বচ্ছ ভাৰত মিচনৰ যোগেদি আমি যিসকল দুখীয়া লোক আছে, যিসকলে টয়লেট বনাই লব নোৱাৰে । তেওঁলোকক ১২,০০০ টকাত সৰু সৰু টয়লেট বনাই দিয়াৰ ব্যৱস্থা আছে আৰু সেই টয়লেট নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আৰু বেনিফিচিয়াৰি চিলেকচনৰ ক্ষেত্ৰত ২০১১-২০১২ বৰ্ষত এটা বেছ-লাইন চাৰ্ভে কৰা হৈছিল আৰু সেই বেছ লাইন চাৰ্ভেৰ ওপৰত ভিত্তি কৰি যিখিনি সংখ্যা আমি পালো সেইখিনি কেন্দ্ৰীয় চৰকাৰে অহা ২০১৯ চনৰ ভিতৰত যাতে সম্পূৰ্ণ কৰে তাৰ বাবে এটা সিদ্ধান্ত লৈছো। গতিকে যিখিনি বেছ লাইন চাৰ্ভে আছে সেইখিনি আমি প্ৰথমতে শেষ কৰিম ২০১৯ চনৰ ভিতৰত। আমাৰ ৰাজ্য খনত বেছ-লাইন চাৰ্ভে কৰোতে বহুখিনি ক্ৰুটি ৰৈ গল যাৰ বাবে বহুতো হিতাধিকাৰী বাদ পৰি গ'ল আৰু এই বাদ পৰি যোৱা হিতাধিকাৰী সকলক যাতে আমি টয়লেটটো দিব পাৰো তাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত

যোগাযোগ কৰি আছো কিন্তু প্ৰথমতে বেছ লাইন চাৰ্ভেত যিখিনি আছে সেইখিনি সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আমাক নিৰ্দেশ দিছে আৰু তাৰ কাৰণে আমাক যথেষ্ট পুজি আবণ্টন দিছে। ইয়াৰ উপৰিও আমাৰ ৰাজ্য খনত Total Sanitation Campain আগতে আছিলে, সেই আঁচনিৰ অধীনত নিৰ্মাণ কৰা বহু টয়লেট ডিফাং হৈ আছে। সেই ডিফাং হোৱা টয়লেট নিৰ্মাণ কৰিবৰ কাৰণে আমাক কেন্দ্ৰীয় চৰকাৰে চি, এছ. আৰ ফাণ্ডৰ যোগেদি আমাক ফাণ্ড এটা দিছে, এতিয়া আমি চাৰ্ভে কৰি আছো আৰু চাৰ্ভেটো সম্পূৰ্ণ হলেই অতি সোণকালে সেইখিনি টয়লেট আমি নিৰ্মাণ কৰিব পাৰিম। এইটো নিৰ্মাণ কৰিবৰ কাৰণে আমি স্থানীয় ভাৱে “স্বচছ আসাম কোষ” বুলি কোষ এটা আমি ইতিমধ্যে গঠন কৰিছো আৰু বিভিন্ন কোষৰ গোষ্ঠীসকলক আমি অনুৰোধ কৰিছো যাতে তেওঁলোকে আমাক ফাণ্ডটো সোণকালে দিয়ে। ইয়াৰোপৰি সদাশয় ব্যক্তি সকলেও যাতে দান দিব পাৰে তেনেকুৱা আঁচনি এটাও আমি লৈছো। ইয়াৰ জৰিয়তে যিবোৰ বাদ পৰি গৈছে সেইবোৰ নিৰ্মাণ কৰাৰ কাৰণে আমি ব্যৱস্থা লৈছো। গতিকে বেছ লাইন চাৰ্ভেটো আমি আগতে সম্পূৰ্ণ কৰো, তাৰ পিচত যদি বাকী থাকে কেন্দ্ৰীয় চৰকাৰক ইতিমধ্যে জনাইছো । আমাৰ ইউনিয়ন মিমিষ্টাৰৰ লগতো আলোচনা কৰিছো, তেওঁলোকে কৈছে আপোনালোকে ২০১৯ ৰ ভিতৰত শেষ কৰক। তাৰ পিচত যিখিনি টয়লেট নিৰ্মাণ কৰিবলৈ বাকী থাকে তাৰ বাবে চৰকাৰৰ ফালৰ পৰা সহায় কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Is there anything more to say ?

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ কথা। যোৱাবাৰো এই বিষয়টো লখিমপুৰ সমষ্টিৰ বিধায়ক ডাঙৰীয়াৰ জৰিয়তে উত্থাপন কৰা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** সময়ৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশ্নটোলৈ আহক ।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** যিবিলাক চৰ এলেকা আছে, নদী পাৰ কৰি সামগ্ৰী বিলাক লৈ যাবলগীয়া হয়। চৰকাৰে টয়লেট বনাবৰ কাৰণে যি ১২,০০০ টকা দিয়ে নদীৰ পাৰলৈ নিবলগীয়া হোৱাৰ কাৰণে পৰিবহণ খৰছটো বেছি হয়। দ্বিতীয়তে যিবিলাক ঠিকাদাৰে কাম কৰি আছে তেওঁলোকে আমাক কয় যে-টকা সময়মতে নোপোৱা কাৰণে কামবোৰ কৰাত অসুবিধা হয়। কৰবাত পকীৰ কাম খিনি কৰা হৈছে, কিন্তু টিনপাত খিনি লগোৱা হোৱা নাই। গতিকে মই এই দুটা কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি হাউচ কমিটিৰ সভাপতি থাকোতেই এই সম্পৰ্কত এটা ৰিক'মেণ্ডেশ্যন লোৱা হৈছিল এইটো বঢ়াব লাগে বুলি।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি অনুভৱ কৰিছো কিছুমান চৰাঞ্চল আৰু গ্ৰাম্যাঞ্চলত ১২,০০০ টকাটো যথেষ্ট নহয় আৰু এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ লগতো আলোচনা কৰিছো কিন্তু তেওঁলোক আমাৰ লগত একমত নহয়। তেওঁলোকে আমাক অনুৰোধ কৰিছে যে ৰাজ্য চৰকাৰৰ ফালৰ পৰা এইটো বহন কৰিব পাৰে, তেতিয়া আপোনালোকে কৰিব পাৰে। এই বিষয়ত আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছো, তেখেতে চিন্তা-চৰ্চা কৰি আছে। যদি অহা বিত্তীয় বৰ্ষত আমি পুজি পাওঁ, তেতিয়া হলে সেই অঞ্চল বিলাকত কিছু পুজি দিব পাৰিম। প্ৰকৃততে এই কাম ঠিকাদাৰে কৰিব নোৱাৰে, যিবিলাক NGO, Self Help Group আছে, সেইবিলাকে কৰিব লাগে। ইয়াৰ বাবে আমি যথেষ্ট পুজি মোকলাই দিছো, দুই এটা আমাৰ সমস্যা হৈছে, নিৰ্মাণ কৰাৰ পিছতো তেওঁলোকে ফটো আপল'ড নকৰে। ফটো আপল'ড কৰাৰ পিচতহে আমি টকাটো দিব পাৰো। গতিকে সেইকাৰণে আমি এই ক্ষেত্ৰত জোৰ দি আছো। আমাৰ

বিধায়ক সকলে আমাক সহায় কৰক। যিমান টয়লেট নিৰ্মাণ কৰিব লগে লগে ফটো আপল'ড কৰক। ফটো আপল'ড কৰাৰ বিপৰীতেহে পেমেণ্টটো কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা ভাৰিছো, দান টইলেত সম্পৰ্কে আমাৰ বিধায়ক সকলে গম পায়নে নাপায় ? এইটো এতিয়া আমাৰ অফিচাৰ সকলে কৰি আছে। অৱশ্যে মই দুটা দান টইলেট দিছো। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াইয়ো দুটা দিছে। গতিকে সকলো বিধায়ককে এই বিষয়টোত জড়িত কৰিব পাৰিলে ভাল হয়। আমাৰ যোৰহাটৰ প্ৰায় সকলো বিধায়কে দিছে। ধন্যবাদ।

এতিয়া পৰৱৰ্তী প্ৰশ্নটো সন্মানিয় সদস্য কমলাক্ষ দে পুৰকায়স্থৰ (প্ৰশ্ন ং-১১০)।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** শ্ৰদ্ধেয় অদ্যক্ষ মহোদয়, ২০১৭-১৮ বিত্তীয় বৰ্ষৰ নাবাৰ্ডৰ আঁচনিৰ যোগেদি মথাউৰি নিৰ্মাণৰ বাবে ৫ টা ফিজিব্লুল স্কীম ধৰা হৈছিল। আমি চাইছো ভাল ভাল স্কীম ধৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই টীম আসামৰ কথা কৈ থাকে। আমি মাজুলীকে ধৰি ৫ টা স্কীম দেখা পাইছো। যিহেতু

আমাৰ তাতো ভয়ংকৰ ভয়ংকৰ মথাউৰি আছে, আমাৰ তাতো একোটাকৈ এনেধৰণৰ আঁচনি দিলে ভাল হয়। কথাটো মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মোৰ তাতো দিয়া নাই, পুজি সাপেক্ষেহে দিব পাৰিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, পৰৱৰ্তী কালত পুজি সাপেক্ষে যিবিলাক আঁচনি আহিব, তাৰ পৰা যাতে আমি এটা স্কীম পাওঁ। আমাৰ সকলো বিধায়কে যাতে পায় এইটোৰ কাৰণে আপোনাৰ যোগেদি বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিলো। কাৰণ বৰাক ভেলীত এনে ধৰণৰ এটা স্কীমো নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে, এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য পুৰকায়স্থ ডাঙৰীয়াই কথাটো যিদৰে কৈছে, ঠিক কথাটো তেনেকুৰা নহয়। ইয়াত কথা হৈছে কি, মথাউৰি নিৰ্মাণৰ কাৰণে ক'ত ক'ত আঁচনি ধৰিছে? ২০১৭-১৮ চনত মথাউৰি নিৰ্মাণৰ কাৰণে ৫ টা আঁচনি ধৰা হৈছে। তাৰ ভিতৰত দুটা নাবাৰ্ডৰ, এটা ই, ডি, বি আৰু দুটা এফ, এম, পিৰ আঁচনি লোৱা হৈছে। এতিয়া কথা হ'ল মথাউৰি নিৰ্মাণ এচ, ডি, আৰ, এফৰ জৰিয়তে সকলোতে হৈ আছে, বৰাকতো হৈছে, ব্ৰহ্মপুত্ৰতো হৈছে। এতিয়া কথা হ'ল- এইটো নতুন মথাউৰি নিৰ্মাণৰ স্কীম। মথাউৰি নিৰ্মাণৰ কাম সমগ্ৰ অসমতে সমানে কৰা হৈছে। তাত কোনো টীম আসাম ব্ৰেক কৰা হোৱা নাই। টীম আসামৰ কাম সম্পূৰ্ণ স্পীডত কৰা হৈছে, তাত কোনো অসুবিধা হোৱা নাই। মই জনাত নতুন মথাউৰিৰ প্ৰপোজেল নাই। যদি নতুন মথাউৰিৰ প্ৰস্তাৱ থাকে, তেতিয়া সেই আঁচনিৰ কাম এচ, ডি, আৰ, এফৰ জৰিয়তে কৰিব পৰা যাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো মই প্ৰশ্নৰ জৰিয়তে উত্থাপন কৰিছো । মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ নাই বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো মই চাম।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** নতুন মথাউৰিৰ যদি প্ৰস্তাৱ আছে এই প্ৰশ্নটোৰ ভিতৰত আহিব। গতিকে এই মথাউৰিৰ আঁচনি সকলোতে ধৰা হৈছে। মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ টীম আসামৰ সম্পূৰ্ণ ধৰা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ.** অধ্যক্ষ মহোদয়, নতুন মথাউৰি নিৰ্মাণৰ আঁচনিৰ প্ৰস্তাৱ আমি

লিখিত ভাৱে দিম। পৰৱৰ্তী সময়ত যাতে মন্ত্ৰী মহোদয়ে যাতে আমাক এটা আঁচনি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over now .

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** Point of Order আছে অধ্যক্ষ মহোদয়, পৰিৱেশ আৰু বন বিভাগৰ উন্নয়ণমূলক কথা থাকিবই। কিন্তু পৰিৱেশ আৰু বন ৰক্ষাৰ কথাও বেচি ভাৱিব লাগিব। অধ্যক্ষ মহোদয়, ১৮২ নং প্ৰশ্নৰ উত্তৰত দেখিলো আমাৰ শিল-বালি কেনেকৈ যোগান হয়, তাৰে আলোচনা কৰিলো। কিন্তু বালিৰ মহল সমূহ দিয়াৰ ফলত বহু অঞ্চলত সেইবোৰ বনাঞ্চল নহয়, সেই অঞ্চলবোৰৰ প্ৰবল গৰাখহনীয়া সৃষ্টি হৈছে। যাৰ বোজা জলসম্পদ বিভাগে বহন কৰিব লগীয়া হৈছে। কিন্তু বালিৰ মহলসমূহ সেইবোৰ অঞ্চলত দিব নালাগে। তাৰে এটা উদাহৰণ দিছো, নৰ্থ কামৰূপৰ বৰডঙা বালিৰ মহলৰ কথা কৈছো। সেইবোৰ জনবহুল অঞ্চল। তাত বালিৰ মহল দিয়াৰ ফলত সেই অঞ্চলত যথেষ্ট গৰাখহনীয়াৰ সৃষ্টি হৈছে। পৰিৱেশ আৰু বনবিভাগে তাত পৰিৱেশ কেনেকৈ ৰক্ষা হয়, সেই বিষয়টো যাতে চায় সেই সম্পৰ্কে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো actually Point of Order নহয়। তথাপিতো আজি Business কম কাৰণে দিছো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মোৰ এটা প্ৰশ্ন আছিল। Unstarred ২৪৬। গৰাখহনীয়া সন্দৰ্ভত। নাগালেণ্ডৰ পৰা চাৰিখনকৈ বোৰতী নদী মৰিয়নী সমষ্টিৰ মাজেৰে পাৰ হৈ যোৱাৰ ফলত সৃষ্টি হোৱা গৰাখহনীয়া সন্দৰ্ভত জলসম্পদ বিভাগে কিবা ব্যৱস্থা লৈছে নেকি? লৈছে বুলি কৈছে আৰু ইয়াৰ তথ্যত দাখিল কৰা হৈছে বুলি উল্লেখ কৰা হৈছে। কিন্তু আমি তথ্য পোৱা নাই। মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী ডাঙৰীয়াক এই বিষয়টো চাবৰ কাৰণে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, এইটো চাই দিব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** Question নং কিমান এইটো?

**মাননীয় অধ্যক্ষ ঃ** ২৪৬।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** After Zero Hour মই আপোনাৰ লগত কথা পাতিম with officers।

**শ্ৰী কমলাক্ষ দে পুৰ কায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ Question নং ১০৪, নুৰুল হুদাই যিটো সুধিছিল, কথাটো আছিল আমাৰ যেঁহু যিখিনি মিলত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো কি Point of Order? এইটো আপোনাৰ Question নহয়।

**শ্ৰী কমলাক্ষ দে পুৰ কায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** তথাপিতো অধ্যক্ষ মহোদয়, ভুল যিটো হৈছে- ৮ শতাংশ, ৭৮ শতাংশ, ২২ শতাংশ মিলি ১০০ শতাংশ হ'ব লাগে, কিন্তু ১০৮ শতাংশ হৈছে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** এটা কথা ঠিক যে আমি কিছুমান কথাত সকলোৱে সতৰ্ক হ'ব লাগে। মই আগতেও কৈছো যে প্ৰশ্নবোৰ আহোঁতে আমাৰ কেতিয়াবা ধৰিবলৈ অসুবিধা হৈছে। মই সেই কাৰণে অহাবাৰৰ পৰা type কৰাৰ কথা কৈছো। মই লগতে কৈছো Supplementary Question ৰ এটা নিয়ম কৰিম বুলি ভাৱিছো। যদি আপোনালোক সকলোৱে সমৰ্থন কৰে অহাবাৰৰ পৰা। আপোনালোকে আগদিনাখন Question পাই যায় যদি কাৰোবাৰ Relevant-Supplementary বিচাৰে তেতিয়া পিছদিনাখন আহি প্ৰথমে ইয়াত Slip খিনি দি থলে মই ৰোটেশ্যন ভিত্তিত এজনে যাতে দুটা/তিনিটাকৈ Question সকলোৱে যাতে পায়, মই তাৰ ব্যৱস্থা কৰিব বিচাৰিছো।

Slip এখন দি দিম। মই সকলোকে justice দিয়াৰ স্বাৰ্থত কৈছো।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী) ঃ** অধ্যক্ষ মহোদয়, Point of Order আছে, গোটেই অসমৰ মানে including Sixth Scedule Area আমাৰ নগৰ সমিতিবিলাকৰ যিসকল কৰ্মচাৰী আছে। সেই কৰ্মচাৰীসকলে আজি বহুদিন ধৰি দৰমহা পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এইটো Point of Order নহয়। আপুনি অহা কালি এখন Notice দি দিব ৩০৯। মই বুধবাৰে দি দিম। আজি একেদিনাই সকলো Notice লোৱা নহয়।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** ছাৰ, Point of Order। আমাৰ সদনত মাননীয় মন্ত্ৰী সকলে আমাৰ প্ৰশ্নৰ উত্তৰত যি assuranceদিয়ে, সেইখিনি Assurance Committee ৰ প্ৰতিবেদনত এইখিনি কথা কিন্তু প্ৰতিফলিত হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** Assurance Committee ৰ সভাপতিৰ লগতে সমিতিৰ সদস্যৰ লগত কথা পাতিব। কিবা অসুবিধা হ'লে মোক ক'ব। কেতিয়াবা এনেকুৱা হয়। কেতিয়াবা মইও আপোনালোকক কিবা কথা কওঁ, কিন্তু কেতিয়াবা নোট কৰি যাওঁতে হয়তো ৰৈ যাব পাৰে। কিন্তু We always try to give you as much information as we can। মই নিজেও এইটো চাম। শূন্যকালীন ঘণ্টাত প্ৰথমে আমি সন্মানীয় সদস্য উৎপল দত্ত, তেখেতৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী উৎপল দত্ত (লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে প্ৰতিদিন আৰু জনমভূমি বাতৰিকাকতত এটা বাতৰি প্ৰকাশ কৰিছে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে 'NEPCCO'ৰ দায়িত্বহীনতাৰ বাবে ৰঙা নদীয়ে ডিক্ৰুঙত সংহাৰী ৰূপ লৈছে। বাতৰি কাকত দুখনত বাতৰিটো আহিছে, বিশেষকৈ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে 'NEPCCO' ক যোৱা বানপানীৰ সময়ত কি ঘটিছিল গোটেই কথাখিনি ৰজ্য চৰকাৰলৈ জনাইছিল আৰু ৰাজ্য চৰকাৰৰ ফালৰ পৰা আই আই টি ৰ বিশেষজ্ঞৰ দলে 'NEPCCO' পৰিদৰ্শন কৰিছিল। 'NEPCCO' পৰিদৰ্শন কৰোতে কেইটামান কথা স্পষ্ট হৈছিল আৰু মইও তাত আছিলো। 'NEPCCOৱে. প্ৰত্যেকবাৰে এনেকুৱা সময়ত পানী এৰি দিয়ে যি সময়ত ভৰ বাৰিষা হয় আৰু চাৰিওফালে বৰষুণ হৈ থাকে। এতিয়া কথা হ'ল, তেওঁলোকে আগজাননী নিদিয়ে আৰু ৪৫ মিনিট আগত জিলা উপায়ুক্তক জনায় আৰু সেই কাৰণে জিলা উপায়ুক্তই ৰাইজক সজাগ কৰিবলৈ ৰাতি জনাবও নোৱাৰে। জনোৱাৰ ৪৫ মিনিট মান পিছত লগে লগে গেট খুলি দিয়ে আৰু দেখা যায় যে পানীখিনি মঠাউৰিৰ ওপৰলৈকে উঠি আহিছে। তাৰ পিছত জিলা উপায়ুক্তক খবৰ দিয়া হয় যে পানী আৰু বেছি হৈছে। যেতিয়া জিলা উপায়ুক্তই আকৌ খবৰ লৈ গম পাই যে এখন নহয় দুখন গেট খুলি দিছে। এইধৰণে তিনিখন গেটলৈকে খুলি দিয়াৰ উদাহৰণ আছে। সেয়েহে ২০০৮ চনত যেতিয়া এনেকৈ তিনিখন গেটলৈকে খুলি দিছিল তেতিয়া একেদিনাই প্ৰায় ১২ জন মানুহ মৃত্যু মুখত পৰিবলগীয়া হৈছিল। এইবাৰো গেট খুলি দিয়াৰ পিছত তিনিজন মানুহৰ সেইদিনা মৃত্যু ঘটিছিল। পাছত আকৌ ৮ জন নে ৯ জন মানুহৰ মৃত্যু ঘটিছিল। এইদৰে পানী বৃদ্ধি হোৱাৰ লগে লগে গেটবোৰ 'NEPCCO' এ খুলি দিয়ে। এটা কথা মই নিজেও গৈ দেখিলো আৰু আই আই টি বিশেষজ্ঞৰ দলেও কেইটামান পৰামৰ্শ দিছে যে তেওঁলোকৰ যিটো ৰিজাৰ্ভাৰ সেই ৰিজাৰ্ভাৰ টোৱে তাত যিমান পানী ৰাখিব লাগে সিমান পানী তাত ৰাখিবলৈ সক্ষম নহয়। ৰিজাৰ্ভাৰটো ডাঙৰ কৰাৰো বহুত স্কোপ আছে। মই নিজে দেখিছিলো যে ৰিজাৰ্ভাৰটোৰ আগফালে যথেষ্ট মাটি আছে। যদি সেই মাটিখিনি খান্দি পানীৰ ৰিজাৰ্ভাৰটো ডাঙৰ কৰে, তেতিয়া বাৰিষা পানী নোখোলালৈকেও থাকিব

পাৰে। এতিয়া বাৰিষাৰ অতিৰিক্ত পানীখিনি এৰি দিয়ে। এৰি দিয়াৰ লগে লগে দুয়োপাৰৰ মঠাউৰি আৰু মঠাউৰিৰ বহন ক্ষমতাটো ইমান বেছি নহয় যাৰ ফলত প্ৰত্যেক বছৰে কৰ'বাত নহয় কৰ'বাত মঠাউৰি ছিঙি মানুহ মৃত্যু মুখত পৰে। এইবাৰ যেতিয়া মঠাউৰি ছিঙিল, ছিঙাৰ পিছত অসমৰ মাননীয় মুখ্য মন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যৰ জলসম্পদ মন্ত্ৰীসকল তালৈ গৈছিল। মই এটা কথা তেওঁলোকৰ দৃষ্টিগোচৰ কৰিছিলো যে NEPCCO বাৰিষা সময়ত পানীখিনি খুলি নিদি যেতিয়া পানী কমে, তেতিয়া যদি পানীখিনি খুলি দিয়ে তেতিয়া নিশ্চয় এই অসুবিধাৰ সৃষ্টি নহ'ব আৰু এট্য স্ক'প আছে আৰু বিশেষজ্ঞসকলেও ইয়াত পৰামৰ্শ দিছে যে এই খুলি দিয়া পানীখিনিক ডাউন ষ্ট্ৰীমত পানী ৰখাৰ ৰিজাৰ্ভাৰ সৃষ্টি কৰাৰ বাবে ব্যৱস্থা কৰিব পাৰে। খুলি দিয়া অতিৰিক্ত পানীখিনি ৰাখিবলৈ পিছফালে যথেষ্ট স্ক'প আছে। অতিৰিক্ত পানীখিনি যদি তাত ৰাখি, পানী কমাৰ পাছত লাহে লাহে যদি পানীখিনি খুলি দিয়ে তেতিয়া মই ভাৱো এনেকুৱা এটা পৰিৱেশৰ সৃষ্টি নহ'ব। আজি মই প্ৰশ্নোত্তৰ কালত মাননীয় জলসম্পদ মন্ত্ৰী ডাঙৰীয়াক এটা প্ৰশ্ন কৰিছিলো যে যোৱাবাৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱাৰ সময়ত যেতিয়া অসমৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া আৰু কেন্দ্ৰীয় মন্ত্ৰী ডাঙৰীয়া সকল তালৈ গৈছিল, মই কেন্দ্ৰীয় মন্ত্ৰীক কৈছিলো যে আপোনালোকে NEPCCO ৰ লগত কথা পাতক। তেওঁলোকে ভৰ বাৰিষা যাতে পানী খুলি নিদিয়ে তাৰ ওপৰত আপুনি ব্যৱস্থা গ্ৰহণ কৰক। তাৰ পিছদিনা বাতৰি কাকতত প্ৰকাশ পাইছিল যেকেন্দ্ৰীয় মন্ত্ৰীয়ে NEPCCO কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছে, আনকি ধমকিও দিছে। কিন্তু তাৰ পিছত আমি আৰু একো খবৰ পোৱা নাই। আজি আমাৰ লিখি ত প্ৰশ্নৰ উত্তৰত মই মন্ত্ৰী ডাঙৰীয়াক সুধিছিলো যে অতিৰিক্ত পানীখিনি খুলি দিয়াৰ পিছত যি ক্ষয়-ক্ষতি হয় তাৰ বাবে NEPCCO ক জগৰীয়া কৰা হয় নে নহয়? NEPCCO কিবা ক্ষতি পূৰণ দিয়ে নেকি? তাৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে Revenue Department ৰ ফালৰ পৰা মোৰ প্ৰশ্নটো অহাৰ পাছত হয়তো ৯-২-২০১৮ তাৰিখে NEPCCO লৈ এখন চিঠি দিছে। এই চিঠিৰ উত্তৰ অহা নাই বুলি কৈছে। ২০০৮ চনত যেতিয়া বানপানী হৈছিল, যেতিয়া মঠাউৰি ছিঙিছিল, ৰাষ্ট্ৰীয় ঘাই পথো ছিঙিছিল সেই সময়ৰ মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া লখিমপুৰলৈ গৈছিল আৰু ৰাজহুৱাভাৱে তেখেতে ঘোষণা কৰিছিল যে বান পানীত যিমান ক্ষতিগ্ৰস্ত হ'ব, NEPCCO ই তাৰ ক্ষতি পূৰণ দিব লাগিব। কিন্তু ২০০৮ চনৰপৰা আজিলৈকে একো ক্ষতিপূৰণ দিয়া নাই। NEPCCO এ পানী খুলি দিয়ে। তেওঁলোকৰ Responsibility নাই, মানুহ মৰিছে কি হৈছে তাৰ বাবে কোনো Responsibility নলয়। সেই কাৰণে মই ক'ব বিচাৰিছো যে NEPCCO Responsibility fix কৰিব লাগে। যদি কেনেবাকৈ পানী খুলি দিওঁতে মঠাউৰি ভাঙি মানুহৰ মৃত্যু হয়, তাৰ ক্ষতি পূৰণ NEPCCO ই দিব লাগে বুলি মই আজি সদনত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছো। এইটো হ'লে তেওঁলোকৰ Responsibility fix হৈ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাখিনি ভালকৈ উত্থাপিত হৈছে, গতিকে উত্তৰটো আহিলে ভাল হ'ব।

**শ্ৰীউৎপল দত্ত, লক্ষীমপুৰ ঃ** অধ্যক্ষ মহোদয়, এটা সময়ত ৰঙা নদীৰ পৰা ৰাইজে মাছ- পুঠিকে ধৰি সকলোখিনি পাইছিল। খেতি বাতিও ধুনীয়াকৈ হৈছিল। এতিয়া যিহেতু গোটেই পানীখিনি ডিক্ৰুঙত পেলাই দিয়ে, সেয়ে এতিয়া ৰঙা নদী শুকায়। যদি বাৰিষা তেওঁলোকে অপৰ্য্যাপ্ত পানীখিনি ধৰি ৰাখে তেতিয়াহ'লে নিশ্চয় এতিয়া পানীখিনি খুলি দিলে ৰাইজৰ উপকাৰ হ'লহেঁতেন। কিন্তু তেওঁলোকে গোটেই পানীখিনি ডিক্ৰুঙত পেলাইছে সেয়ে এতিয়া ৰঙা নদী শুকাইছে। সেই কাৰণে

মই মন্ত্ৰী ডাঙৰীয়াক নীপকো প্ৰজেক্টটো চাবৰ কাৰনে অনুৰোধ জনাইছো, তাত গ'লে আপুনি চাবলৈ পাব যে কি এটা অৱস্থা। তাত আপাৰ চাইডত ৰিৰ্জাভাৰটো ডাঙৰ কৰাৰ সুবিধা আছিল। এতিয়া ল'ৰাৰ চাইডত দুই- তিনিটা ৰিৰ্জাভাৰ যদি বনাই দিয়ে মই ভাবো এই ধৰণৰ ধ্বংস লীলাৰ সৃষ্টি নহ'লহেঁতেন। মই সেয়েহে গোটেই বিষয়টো দৃষ্টিগোচৰ কৰিছো.। নীপ্‌কোৰ লগত আলোচনা কৰি অসম চৰকাৰে ভবিষ্যতে যাতে এই ধৰণে ৰঙা নদীৰ পানী বাৰিষাৰ সময়ত খুলি নিদিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। ধন্যবাদ...।

**মাননীয় অধ্যক্ষ ঃ** বৰ গুৰুত্বপূৰ্ণ বিষয় আজি উত্থাপন হৈছে। আপোনাকো ধন্যবাদ দিছো।.. এতিয়া মিনিষ্টাৰ ডাঙৰীয়া ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয় আৰু প্ৰতি বছৰে নহয় যদিও আমি ইয়াৰ পৰা যথেষ্ট অসুবিধা ভোগ কৰি আহিছো। এই যিটো নিপ্‌কো হাইড্ৰ' ইলেকট্ৰিক প্ৰজেক্ট' ৰঙা নদীত আছে। ইয়াত অতিৰিক্ত পানী হ'লে কোনোধৰণৰ সংকেত নোপোৱাকৈ পানী এৰি দিয়ে। সংকেত নোপোৱা নহয়, সংকেত দিয়াৰ নিয়মটো কৰে। তাত এলাৰ্ম আছে। এটা এলাৰ্ম আছে অৰুণাচলৰ ফালে আৰু আনটো আছে আমাৰ অসমৰ ফালে। অৰুণাচলৰ ফালৰ যিটো এলাৰ্ম নিপ্‌কোয়ে নিজে কনডাক্ট কৰে। অসমৰ ফালৰ এলাৰ্মটো আমাৰ অসমৰ লক্ষীমপুৰ জিলাৰ ডিষ্ট্ৰিক্ট এডমিনিষ্ট্ৰেচনৰ লগত জড়িত বুলি কৈছে। কিন্তু ইয়াৰ যিটো যোগাযোগ, সেইটো যেনেধৰণে কৰিব লাগে নিপ্‌কোয়ে নকৰে। নকৰা বাবে আমি সদায় অসুবিধাৰ সন্মুখীন হওঁ। হয়তো এলাৰ্ম অলপ সময়ৰ বাবে দিয়ে আৰু লগে লগে পানীও এৰি দিয়ে। সেয়ে আমি সমস্যাৰ সন্মুখীন হৈ আহিছো। অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদেও আজি এই বিষয়টোলৈ জড়িত হৈছিল। এইক্ষেত্ৰত আজি " প্ৰতিদিন " কাকতত যিটো নিউজ হৈছে তাৰ লগত তেখেতসকলো জড়িত হৈছিল, তেখেতসকলো আগবাঢ়ি আহিছিল। তেখেতসকলে অসমৰ চীফ চেক্ৰেটেৰীৰ লগত যোৱা ২০-০৯-২০১৭ তাৰিখে আলোচনা কৰিছিল আৰু সেই ৰেফাৰেন্সতে আজিৰ নিউজটো হৈছে। তেতিয়া আমি চৰকাৰৰ তৰফৰ পৰা আই আই টিৰ বিশেষজ্ঞ ডঃ অৰূপ কুমাৰ শৰ্মাক গোটেই বিষয়টো এক্সপাৰ্ট হিচাপে চাই প্ৰতিবেদন চাবমিট কৰিবলৈ দিছিলো। সেইমতে ডঃ অৰূপ কুমাৰ শৰ্মাই এই বিষয়টো অধ্যয়ন কৰিবলৈ গৈছে আৰু তেখেতে অধ্যয়ন কৰি ঘুৰি অহাৰ পিচত তেখেতৰ লগত মৌখিকভাৱে কথা হৈছো। লিখিত প্ৰতিবেদনখন অতি সোনকালে তেখেতক আমি দিবলৈ কৈছো। তেখেতৰ পৰা লিখিত প্ৰতিবেদনখন পোৱাৰ পিচতে আমি তাৰ ওপৰত ভিত্তি কৰি আমাৰ ৰাটাৰ ৰিৰ্চছৰ বিষয়া আৰু মই নিজে, তাৰ স্থানীয় বিধায়ক ডাঙৰীয়া, আৰু তাত ৰাইজৰ যিখিনি পৰামৰ্শ লাগে আৰু নীপ্‌কোৰ অথৰিটি- এইখিনি গৈ আমি তাত স্বচক্ষে পুনৰ আমি চাম। যিখিনি তেখেতসকলৰ লগত আলোচনা কৰিব লাগে আমি কৰিম। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নীপ্‌কোৰ লগত কথা হৈছে, চেন্ট্ৰেল গৰ্ভমেন্টৰ মন্ত্ৰীডাঙৰীয়াও নীপকোৰ লগত কথা হৈছে কিন্তু ইয়াত যিটো সমস্যা , সেইটো হৈছে ৰঙা নদীৰ যিটো বান্ধ বা ৰিজাৰ্ভাৰ , পানী এটা টানেলৰ মাজেদি গৈ পেলাই ডিক্ৰং পায়। ডিক্ৰঙতহে এই বান্ধটো আছে যদিও আমি ৰঙা নদীৰ কথা কৈ আছো, ৰিৰ্জাভাৰটো ডিক্ৰঙতহে আছে। এতিয়া আপোনালোকে ৰঙা নদীখন যদি চায় খৰালিত বহু ঠাইত তাত পানী নাই শিলহে আছে, কিছু ঠাইতহে পানী আছে। খৰালি কালত নদীখন শুকাই থাকে। পাহাৰৰ পৰা খুব তৎকালীনভাৱে তাত পানী নামি আহে। সেই পানীখিনি অনুমান কৰিব পৰা টান। এখন স্বাভাৱিকভাৱে বৈ থকা নদী আৰু এই ৰঙা নদীৰ নেচাৰটো মানে স্বভাৱটো একে নহয়। ইয়াত পানীৰ আগতীয়া অনুমান কৰাটো টান। তেতিয়া এটা পৰামৰ্শ আহিছে, আমি নীপ্‌কোলৈ

লেটাৰলিখিছিলো। তেতিয়া নীপকোয়েআমাক কলে, এটা ৰিজাৰ্ভাৰ বনাব পৰা স্কোপ আছে। প্ৰাপ্ত তথ্য অনুসৰি জনোৱা মতে ৰঙা নদীৰ জলাশয় পুনৰ ধাৰণ ক্ষমতা বৃদ্ধি সম্ভৱ নহয় যদিও বান প্ৰশমন , ফ্লাড ম'ডাৰেচনৰ বাবে ১৮ কি.মি উজনিত থকা ষ্টৰেজ ৰিজাৰ্ভাৰটোৰ প্ৰস্তাৰ আমাৰ বিবেচনা কৰিব পৰা যায়। তেওঁলোকে কৈছে যে ১৮ কি.মি উজনিত ষ্টৰেজ ৰিৰ্জাভাৰ যিটো আছে সেইটো তেওঁলোকে আণ্ডাৰ কনচিডাৰেচন বুলি কৈছে। আমি তেওঁলোকৰ লগত কৰা যোগাযোগৰ উত্তৰত। গতিকে আমি আশা কৰিছো, গোটেই বস্তুতো এটা নিয়ন্ত্ৰনলৈ আনিবৰ কাৰনে আৰু ভৱিষ্যতে তাত আৰু ৰিৰ্জাভাৰ বনাই ফ্লাডৰ সময়ত যিটো ভয়াবহ অৱস্থা হয়, এইটোৰ পৰা ৰক্ষা পাবৰ কাৰনে ব্যৱস্থাখিনি আমি কৰিম। ডঃ অৰূপ কুমাৰ শৰ্মাৰ প্ৰতিবেদনখন পালে আমি এচেমব্লি বন্ধ থাকিলেই মাৰ্চ মাহৰ ভিতৰতে তাত গৈ বাকী কামখিনি আমি কৰিম। ইয়াত আৰু দুটা কথা কৈছিলে যে, তাত দুটা বীড্ছ হৈছিলে, এইবাৰ ভঙা কাৰনে। বগলীজানৰ সোঁফালে -বাওঁফালে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যেএইবাৰ আমি প্ৰথমবাৰৰ কাৰনে আমাৰ ২৬ টা বীড্ছ হৈছে। যোৱা বাৰ ২৬ টা ঠাইত ভাগিছে। ২৬ টা ঠাইৰ ভিতৰত আমি ৫ ঠাইত বাৰিষাৰ ভিতৰত কাম কৰিছো, মানে ক্লোজ কৰিছো। বাৰিষাত এটা ফ্লাড অহাৰ পিচত আনটো ফ্লাড অহাৰ ভিতৰত আমি ৫ টা ঠাই ক্লোজ কৰিছো। তাৰ ভিতৰত বগলীজানো আছে, মৰা পগলাদিয়া আছে, গোলান্দিও আছে আৰু নোৱা নদী আছে আৰু নলবাৰীৰ নড্লা আছে। এই পাঁচটা আমি কাম ক্ল'জ কৰিছো আৰু বাকী ২১ টা আমি বহাগ বিহুৰ আগতে ক্ল'জ কৰিম। ইয়াৰ আগতে এবাৰ মথাউৰি ভঙাৰ পিচত ২-৩ বছৰলৈ মেৰামতি নহয়, পানী সোমাই যায়। যোৱা বছৰ যিখিনি ভাঙিছিল তাৰ লগতে আগৰ যিঙিনি ভঙা আছিল , যোৱা বছৰ আমি সকলো ভঙাই সম্পূৰ্ণ কৰিলো। আগৰ ভঙা এতিয়া বাকী নাই । নতুনকৈ ভঙা ২৬ টাৰ যোৱা বছৰ ৫ টা ভঙা আমি বাৰিষাৰ ভিতৰতে ক্ল'জ কৰিলো। বাকী ২১ টা আমি বহাগ বিহুৰ ভিতৰতে কাম ক্ল'জ কৰিম। আমাৰ ২৬ টাৰ ভিতৰত এটা কথা মই ক'ব লাগিব। অধ্যক্ষ মহোদয় মই এই কাৰনে ক'ব লাগিব যে এই কেইদিন বাতৰি কাকত বা অন্যান্যত ওলাই আছে....।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ মেইনলী নীপ্কো আছিল..... অলপ চৰ্ট কৰিব। You can place statment also..

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই এই কাৰণে কৈছো ২৬ টাৰ ভিতৰত ১ টা ভগা আমি হয়তো কৰিব নোৱাৰিম। সেইটো হৈছে মৰিগাওঁৰ মিকিৰ গাওঁ। মিকিৰ গাঁৱত যিটো ভাগিছে প্ৰায় ১২৫ কোটি টকাৰ এষ্টিমেট। টকা দিলেও এতিয়া কাম কৰি দিব নোৱাৰে গতিকে তাৰ অলটাৰনেটিভ এৰেঞ্জমেন্ট হ'ব পাৰে নেকি আমি ডি চি, ইঞ্জিনিয়াৰসকলক আলোচনাৰ বাবে মাতি আনিছো। আজি ৬.০০ বজাত মাননীয় মুখ্যমন্ত্ৰীয়ে তেখেতসকলৰ লগত আলোচনা কৰিব যিখিনি ইর্ম্পটেন্ট আছে। গতিকে এই ২৬ টাৰ ভিতৰত এই মিকিৰ গাঁৱৰ বিষয়টো আজি মই সদনত কৈ যাব নোৱাৰিম। এইটো এতিয়া ভয়াবহ অৱস্থা। গতিকে নীপ্কোৰ ক্ষেত্ৰত ডঃ শৰ্মাৰ প্ৰতিবেদনখন পালেই আমি মাৰ্চৰ ভিতৰত এচেমব্লি নবহাৰ দিনা আমি তালৈ যাম। ধন্যবাদ...।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী বিনন্দ কুমাৰ শইকিয়াক, তেখেতৰ শূণ্যকালীন ঘন্টাৰ নটিচ খনৰ বিষয় উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, ছিপাঝাৰঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ শূণ্যকালীন ঘন্টাত আপুনি গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছিলো প্ৰথমতে। যোৱা ১০ ফেব্ৰুৱাৰী **'অসমীয়া খবৰ'** কাকতখনত **"ৰাজ্যত তিনি বছৰত শিশুৰ বিৰুদ্ধে তিনিগুণ**

**অপৰাধ বৃদ্ধি ঃ অপহৰণ, যৌন নিৰ্যাতনৰ ভয়াবহ ছবি”** এই বিষয়টো অসমীয়া খবৰ কাকতত প্ৰকাশ পাইছিলে। অধ্যক্ষ মহোদয়, ইয়াত এটা World Vision India নামৰ সংস্থাই জৰীপ চলাইছিলে। সেই জৰীপৰ ভিত্তিত দেখা গৈছে যে শিশুৰ বিৰুদ্ধে যিটো অপৰাধ, যিটোক আমি child abuse বুলিও কওঁ, শিশুৰ বিৰুদ্ধে এই অপৰাধ বিভিন্ন ধৰণৰ শিশু অপহৰণ বা কেতিয়াবা নাবালিকা অপহৰণ কৰি বিবাহৰ কাৰণে বাধ্য কৰোৱা ঘটনা, কেতিয়াবা যৌন নিৰ্য্যাতন এনেকুৱা বিভিন্ন ধৰণৰ শিশুৰ বিৰুদ্ধে অপৰাধ বিগত বছৰ কেইটাত দেখা গৈছে যে এই অপৰাধটো লাহে লাহে বাঢ়ি আছে। আপোনালোক নিশ্চয় জ্ঞাত যে সিদিনাখন গুৱাহাটীৰ মাজ মজিয়াতে শিশু অপহৰণ হৈছে আৰু অসমৰ বিভিন্ন ঠাইত দেখা গৈছে যে শিশুৰ ওপৰত যিটো যৌন নিৰ্য্যাতন এইটো ক্ৰমাগতে ভাৱে বাঢ়ি গৈছে। এইটো এটা সামাজিক ব্যাধিৰ নিচিনা হৈছে। ইয়াৰ পৰিমাণটো তথ্য মতে (ইয়াত এটা তথ্য দিছে) **২০১৪** চনত **১৩৮৫** টা এনেকুৱা ঘটনা হৈছিলে। **২০১৫** চনত তাতকৈ বাঢ়ি **২৩৮৫** টা আৰু **২০১৬** চনত হৈছে প্ৰায় **৪** হাজাৰ (**৩৯৬৬** টা) এনেকুৱা শিশুৰ বিৰুদ্ধে অপৰাধৰ ঘটনা হৈছে। গতিকে দেখা গৈছে তথ্যৰ ভিত্তিত এইটো লাহে লাহে বাঢ়ি আছে। এই সংস্থাবিলাকে বিভিন্ন ধৰণে শিশুৰ বিৰুদ্ধে ঘটা অপৰাধৰ ঘটনা বিলাক ৰোধ কৰিবৰ কাৰণে তেওঁলোকে বিভিন্ন ঠাইত সজাগতা অভিযান কৰিছে বা কৰবাত এনেকুৱা ৰাজহুৱা সভা পাতি বিভিন্ন ধৰণে চেষ্টা কৰি আছে। গতিকে চৰকাৰৰ ফালৰ পৰা এই বিষয়টোত কিমান খিনি গুৰুত্ব দিয়া হৈছে, কেনেধৰণে এইটো protection বা prevention ব্যৱস্থা কৰা হৈছে সেই ক্ষেত্ৰত কোনো তথ্য এতিয়ালৈকে আমি পোৱা নাই বা কিবা কৰিছে যদিও আমি নাজানো, কিন্তু এইটো লাহে লাহে বাঢ়ি আছে । বিশেষভাৱে ভয়াবহ ঘটনা হৈছে কি নাবালিকা অপহৰণৰ যিটো ঘটনা, নাবালিকা বিলাকক অপহৰণ কৰে আৰু বিবাহ হবলৈ বাধ্য কৰে। এনেকুৱা ঘটনা প্ৰায় ডেৰ হাজাৰৰো বেছি সংঘটিত হৈছে। গতিকে মই বিষয়টো এই কাৰণে আনিছো যে আমাৰ শিশু, যাক কওঁ আমাৰ সমাজৰ মানৰ সম্পদ, সেই সম্পদৰ ক্ষেত্ৰত যদি এনেকুৱা ধৰণৰ ঘটনা হয়, শিশুৰ ক্ষেত্ৰতে যদি এনেকুৱা হয়, তেতিয়াহলে আমাৰ ভৱিষ্যতৰ প্ৰজন্মৰ কাৰণে কেনেকুৱা এটা বিপদৰ আগজাননী আমি পাম। গতিকে শিশুৰ বিৰুদ্ধে হোৱা অপৰাধ বিলাক, আমি যিকোনো উপায়েৰে ৰোধ কৰিব লাগিব। কিন্তু শিশুৰ কথাতো অলপ বেছি গুৰুত্বসহকাৰে লব লাগিব আৰু এইটোৱে আমাক সামাজিক ভাৱে গোটেই সামাজিক মনস্তত্বত এটা প্ৰভাৱ পেলায়। গতিকে শিশুৰ বিৰুদ্ধে অপৰাধ নাইকিয়া কৰিবৰ কাৰণে এইটো যৌন নিৰ্য্যাতন হওঁক, অপহৰণ হওঁক যিকোনো এনেকুৱা অপৰাধ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে চৰকাৰে কেনেকুৱা ধৰণৰ ব্যৱস্থা হাতত লৈছে, সেই কথাটো মই জানিব বিচাৰিছো আৰু মই ভাৱো যে এই কথাটো অকল বিধান সভাত জনোৱাই নহয় এইটো বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰি শিশুৰ বিৰুদ্ধে এনেকুৱা অপৰাধ নাইকিয়া কৰিবৰ কাৰণে ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে। মই এই বিষয়টো আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আজি দুয়োটাই বিষয়ে গুৰুত্বপূৰ্ণ, এইটোও এটা গুৰুত্বপূৰ্ণ বিষয়, ভাল হৈছে এইটো কথা ওলাইছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী বিনন্দ শইকিয়া ডাঙৰীয়াই আজি যিটো বিষয় সদনত উত্থাপন কৰিছে, এইটো সচাঁকৈ গুৰুত্বপূৰ্ণ বিষয়। চৰকাৰেও এই ক্ষেত্ৰত বহু গুৰুত্বসহকাৰে এই বিষয়টো তদাৰক কৰি আছে। শ্ৰী শইকীয়া ডাঙৰীয়াই যিখিনি প্ৰকাশ কৰিছে সেইখিনিত আমি এক মত যে অসমত যিটো অপৰাধ আৰু নিৰ্য্যাতন

শিশু সকলৰ ওপৰত হৈছে সেই সম্পৰ্কত চৰকাৰে গোটেই সমগ্ৰ ৰাজ্যখনতে এটা ব্যৱস্থা কৰিছে। সেই বিষয়ে কি কি ব্যৱস্থা চৰকাৰে লৈছে আৰু কেনেধৰনে ইয়াক প্ৰতিৰোধ কৰিব পৰা যাব, এই কথাখিনি জনাব বিচাৰিছো -

যোৱা **১০-০২-২০১৮** ইং তাৰিখে **'অসমীয়া খবৰ'** কাকতত প্ৰকাশিত **"ৰাজ্যত তিনি বছৰত শিশুৰ বিৰুদ্ধে তিনিগুণ অপৰাধ বৃদ্ধি ঃ অপহৰণ যৌন নিৰ্য্যাতনৰ ভয়াবহ ছবি"** বাতৰিটোৰ বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সংক্ৰান্তত ৰাজ্য চৰকাৰ অতি সংবেদন শীল। সেয়েহে ৰাজ্য চৰকাৰৰ আৰক্ষী বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি উক্ত অপহৰণ, যৌন নিৰ্য্যাতন কমাবৰ বাবে ইতিমধ্যে বহু পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য পদক্ষেপ উল্লেখ কৰিছো -

**১.** প্ৰত্যেক জিলাতে Special Juvinile Police Unit আছে। প্ৰত্যেক জিলাৰ থানাতে 2nd Officer, Child Welfare Police Officer আছে। Special Juvinile Police Unit ত এজন Gezetted Officer ৰ নেতৃত্বত গঠন কৰা হৈছে। যি মূহুৰ্তত এনেকুৰা ধৰণৰ খবৰ পোৱা যায়, বা যি মুহুৰ্তত এনে ঘটনা সংঘটিত কৰাৰ কাৰণে প্ৰচেষ্টা চলাই, তেতিয়া লগে লগে ব্যৱস্থা গ্ৰহণ কৰা হয়।

**২.** প্ৰত্যেক জিলাতে Anti Human Trafficking Unit আছে।

**৩.** প্ৰত্যেক জিলাত আৰু sub division ত শিশু আৰু মহিলাৰ সুৰক্ষাৰ কাৰণে **৬৩** Women Cell গঠন কৰা হৈছে সমগ্ৰ ৰাজ্যখনত ।

**৪.** যেতিয়া শিশুৰ নিৰ্য্যাতনৰ খবৰ পোৱা হয়, তেতিয়া লগে লগে Special Investigation Team গঠন কৰি তদন্ত কৰা হয় আৰু ব্যৱস্থা গ্ৰহণ কৰা হয়।

**৫.** প্ৰত্যেক মাহতে অসমৰ অপৰাধ তদন্ত বিভাগৰ প্ৰত্যেক জিলাৰ আৰক্ষীৰ লোকক POCS Act, JJ Act, Child Labour আৰু Child Marriage Act ৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়।

**৬.** তাৰ ওপৰিও স্কুল, কলেজত cyber crime, crime against children ৰ ওপৰত awareness campaign ৰ সজাগত সভা অনুষ্ঠিত কৰা হয়।

**৭.** এই সন্দৰ্ভত আন চৰকাৰী বিভাগৰ লগতো যোগাযোগ ৰাখে, যেনে সমাজ কল্যাণ বিভাগ, স্বাস্থ্য বিভাগ, Labour Department ৰ সৈতে অসম আৰক্ষীয়ে সঘনাই যোগাযোগ ৰাখি সহযোগিতাৰে কাম কৰি শিশু অপৰাধ নিয়ন্ত্ৰনৰ ব্যৱস্থা অব্যাহত ৰাখিছে।

গতিকে অধ্যক্ষ মহোদয়, মাননীয় সদস্য শইকীয়া ডাঙৰীয়াৰ যিটো concern, চৰকাৰে এই ক্ষেত্ৰত এইখিনি ব্যৱস্থা ইতিমধ্যে লৈছে। এইটো ক্ষেত্ৰত চৰকাৰে সমানভাৰে সংবেদনশীল আৰু sensitive চৰকাৰ, এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী আৰু শ্ৰীঅশ্বিনী ৰায় চৰকাৰৰ তৰফৰ পৰা দুখন বেলেগে বেলেগে শূণ্যকালীন জাননী পাইছিলো, কিন্তু দুয়োটা বিষয় যিহেতু একে ছয় জনগোষ্ঠীক জনজাতিকৰণ সম্পৰ্কত, গতিকে মই প্ৰথমে মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মীক বিষয়টো সম্পৰ্কত বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো তাৰ পিছত শ্ৰীঅশ্বিনী ৰায় চৰকাৰে বক্তব্য আগবঢ়াব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো শূণ্যকালীন সময়ত উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই

দীঘলীয়াকৈ বক্তব্য ৰাখিব বিচৰা নাই, ছয় জনগোষ্ঠীৰ বিষয়টো আমি সকলোৱে জানো যে আহোম, চাহ জনগোষ্ঠী, মৰাণ, মটক, চুতীয়া আৰু কোঁচ ৰাজবংশীয়ে যদিও সুকীয়া সুকীয়াকৈ জনজাতিকৰণৰ বাবে আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰি আহিছিল কিন্তু ২০০০ চনত একগোট হৈ একেলগে আন্দোলন কৰিছিল। সেইসময়ত কেন্দ্ৰত বি.জে.পি দলৰ চৰকাৰ আছিল আৰু ৰাজ্যত অগপ দলৰ চৰকাৰ আছিল আৰু তেতিয়াই তেওঁলোকে ছয় জনগোষ্ঠীক জনজাতিকৰণ মৰ্য্যদা দিয়া বাবে আবেদন জনাইছিল। বিষয়টো সম্পৰ্কত সেইসময়ত চৰকাৰে পদক্ষেপ গ্ৰহণো কৰিছিল। ২০০৪ চনত কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ আহিল আৰু ২০০১ চনত ৰাজ্যত কংগ্ৰেছ চৰকাৰ আহিল। সেই সময়টো ট্ৰাইবেল সংঘকে ধৰি বিভিন্ন জনজাতীয় সংগঠন সমূহে বিষয়টো সম্পৰ্কত আপত্তি দৰ্শাইছিল, তেখেতসকলৰ মৰ্য্যদা হানি হ'ব বুলি। কংগ্ৰেছ দলৰ চৰকাৰ থকা সময়ত মই নিজে ব্যক্তিগত ভাৱে Registrar General of India ৰ অফিচলৈ চৰকাৰী প্ৰতিনিধিসকলৰ লগত গৈছিলো আৰু তাত কোৱা হৈছিল ছয় জনগোষ্ঠীক কেনে ধৰণে কিহৰ ভিত্তিত জনজাতিৰ মৰ্য্যাদা দিব লাগে তাৰ এটা তথ্য দাঙি ধৰিব লাগে। আমি যদি চাওঁ এটা সময়ত ৰাজ্যত অসম গণ পৰিষদ দলৰ চৰকাৰ আৰু কেন্দ্ৰত বি.জে.পি দলৰ চৰকাৰ ২০০০ চনত, পিচত কংগ্ৰেছ দলৰ চৰকাৰ, আজি কেন্দ্ৰত আৰু ৰাজ্যত বি.জে.পি দলৰ চৰকাৰ গতিকে ৰাজনীতিৰ উৰ্দ্ধত গৈ আমি জনজাতিকৰণৰ যিটো বিষয় সেইটো ভালদৰে চিন্তা কৰিব লাগিব। আমি সকলো দলেই ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্য্যাদা দিবৰ বাবে এক মত। কংগ্ৰেছ বিধায়িনী দলৰ তৰফৰ পৰা আমি আমাৰ স্থিতি স্পষ্ট কৰি দিব বিচাৰিছো যে বৰ্তমান থকা জনজাতিসমূহৰ কোনো ধৰণৰ সন্মান হানি নোহোৱাকৈ ছয় জনজনগোষ্ঠীক জনজাতিৰ মৰ্য্যদা দিব লাগে। বৰ্তমান কেন্দ্ৰীয় মন্ত্ৰী সভাৰ ৰাজ্যিক গৃহমন্ত্ৰী কিৰণ ৰিজিজু ডাঙৰীয়াই ছয়জনগোষ্ঠীৰ প্ৰতিনিধিৰ লগত আলোচনাত মিলিত হৈ তেখেতে কৈছিল যে Modality আমি কৰি আছো আৰু কম সময়ৰ ভিতৰত দিম। কিন্তু দেখাগ'ল যে কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যকাল বৰ্তমান চাৰি বছৰ হ'ল। বৰ্তমানৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াইও ছয়জনগোষ্ঠীৰ প্ৰতিনিধিৰ লগত আলোচনাত মিলিত হৈছে আৰু আমি জানিব পাৰিছো যে বিষয়টো সম্পৰ্কত তেখেতৰ সদ্‌ইচ্ছা আছে। মই বিশেষ ভাৱে Modality কি পৰ্য্যায়ত আছে আৰু কেনেধৰণৰ এই Modality জানিব বিচাৰো। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এই সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিছে মাননীয় মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো। চাহ জনোগাষ্ঠীৰ পুৰ্বপুৰুষ সকল Chotanagpur ৰ পৰা আহিছিল, বৰ্তমান সেই Chotanagpur চাৰিখনমান বিভিন্ন ৰাজ্যত বিভক্ত হৈছে, Chattisgarḥ, Jharkhand, Bihar, Madhya Pradeshৰ এটা এলেকা, odisha ৰ এটা এলেকা, পশ্চিমবঙ্গৰ এটা এলেকা। এই স্থানসমূহত ইতিমধ্যে চাহজনগোষ্ঠীয় লোকসকলে জনজাতিৰ মৰ্য্যদা পাইছে। মই এইখিনিতে কওঁ ৰূপজ্যোতি কুৰ্মী, যদিও চাহজনগোষ্ঠীৰ আদিবাসী সম্প্ৰদায়ৰ তথাপি কুৰ্মীসকল উচ্চ সম্প্ৰদায়ৰ তালিকাভূক্ত কাৰণে এই জনজাতিৰ তালিকাত কুৰ্মীসকল নাই। তথাপি মই ছয়জনগোষ্ঠীক জনজাতিৰ মৰ্য্যদা পোৱাটো বিচাৰো। লগতে এই কথাটো মই পুনৰ ক'ব বিচাৰিছো যে বৰ্তমান থকা জনজাতিসমূহৰ কোনো ধৰণৰ সন্মান হানি নোহোৱাকৈ ছয় জনজনগোষ্ঠীক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰিব লাগে। এইখিনি কৈ মাননীয় অধ্যক্ষ মহোদয় আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণী মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীঅশ্বিনী ৰায় সৰকাৰ।

**শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৪ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "জনজাতিকৰণ আৰু কোঁচ ৰাজ্য গঠনৰ দাবীত লাষ্টিগেট কপালে আক্ৰাছুয়ে" ।

আক্ৰাছু মানে কোঁচ ৰাজবংশী ছাত্ৰ সন্থা। জনজাতিৰ কাৰণে আক্ৰাছুৰ উপৰিও কোঁচ-ৰাজবংশী সন্মিলনীয়ে প্ৰায় পঞ্চাশ বছৰ ধৰি গণতান্ত্ৰিক ভাবে আন্দোলন কৰি আহিছে। আপোনালোকে জানে যে সুদূৰ নাৰায়ণপুৰৰ পৰা পশ্চিমবঙ্গৰ দিনাজপুৰলৈ বিস্তৃত অঞ্চল ঐতিহাসিক কোঁচ ৰাজ্যৰ অধীনত আছিল। স্বাধীনতাৰ পিছত ১৯৪৮ চনৰ ২৭ অক্টোবৰ তাৰিখে তেতিয়াৰ গৃহমন্ত্ৰী আৰু শেষ কোঁচ ৰজা জগদ্বিপেন্দ্ৰ নাৰায়ণ বীৰ বাহাদুৰৰ মাজত ঐতিহাসিক চুক্তি হৈছিল। সেই চুক্তিত কোঁচ ৰাজ্যত থকা কোঁচ জনগোষ্ঠীৰ কাৰণে তৃতীয় শ্ৰেণীৰ ৰাজ্য দিয়াৰ কথা আছিলে। কিন্তু দেখাগ'ল এই চুক্তিখন আজিলৈ কোনো ধৰণৰ কাৰ্য্যকৰী নহ'ল। কোঁচৰাজবংশী জনগোষ্ঠীয়ে আন্তৰিকতাৰে আন্দোলন কৰি ১৯৯৬ চনত তিনিবাৰ ৰাষ্ট্ৰপতিৰ অধ্যাদেশৰ দ্বাৰা জনজাতিৰ মৰ্য্যদা পায়। তাৰ পিছতো এই জনগোষ্ঠীটোক জনজাতিকৰণ কৰা নহ'ল। আকৌ ২০০০ চনত এই কোঁচৰাজবংশী সম্বন্বিতে ছয়জনগোষ্ঠীয়ে একক ভাবে জনজাতিৰ মৰ্য্যদা পোৱাৰ বাবে গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰম্ভ কৰিলে। ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টো সম্পৰ্কত ইতিমধ্যে মাননীয় বিধায়ক শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই বিস্তৃত বক্তব্য ৰাখিছে। তিনিবাৰ অধ্যাদেশৰ জৰিয়তে জনজাতীৰ মৰ্য্যদা পাই কোচৰাজবংশীৰ প্ৰতিনিধিয়ে জনজাতিয় বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰাৰ পিছত জনগোষ্ঠীটোক জনজাতীৰ মৰ্য্যদা নিদিলে। যাৰ ফলশ্ৰুতিত জনগোষ্ঠীটোৰ কিছু ল'ৰাই হাতত অস্ত্ৰ তুলি লৈছে। আমি দেখিবলৈ পাইছো যে এই আন্দোলনৰ বাবে পশ্চিম অসমত অৰ্থনৈতিক প্ৰভাৱ পৰিছে আৰু জনজীৱন বিপন্ন হয়। মই পবিত্ৰ সদনৰ দৃষ্টি আকৰ্ষণ কৰিৱ বিচাৰিছো যে এইটো দীৰ্ঘদিনীয়া সমস্যাৰ, এখন ঐতিহাসিক চুক্তি আছে। গতিকে অতি পিছপৰা জনগোষ্ঠীয় লোকসকলক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰি তেওঁলোকক আৰ্থিকভাৱে সামাজিক ভাৱে ৰাজনৈতিক ভাবে আগবঢ়াৰ সুবিধা প্ৰদান কৰাৰ বাবে অনুৰোধ জনাইছো। কাৰণ ইতিমধ্যে কোঁচৰাজবংশীৰ লোক সকলৰ মেঘালয়ত এছ.টি আৰু পশ্চিমবঙ্গত এছ.চি মৰ্য্যদা লাভ কৰি আছে। অসমত কিয় নাপাব ? আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনগোষ্ঠীয় মানুহৰ উন্নয়নৰ বাবে যথেষ্ট প্ৰয়াস কৰি আহিছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিৱ বিচাৰিছো যে, অতিসোনকালে ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্য্যদা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু প্ৰয়োজন অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাৰ বাবে সদনৰ পৰা প্ৰতিনিধিদল প্ৰেৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই বক্তব্য সামৰণী মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয়া মন্ত্ৰী।

**শ্ৰীপ্ৰমীলাৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যোৱা ৭-২-২০১৮ তাৰিখৰ দৈনিক জনমভূমি বাতৰি কাকতত প্ৰকাশিত "জাতি-জনগোষ্ঠী আগবাঢ়ি গ'লেহে অসম উন্নত হ'ব" শীৰ্ষক বিষয়টি ১২-২-২০১৮ তাৰিখৰ অধিবেশনত উত্থাপন কৰিছিলে আৰু আজিও সেই একেই বিষয়টো উত্থাপন কৰিছে আৰু মাননীয় সদস্য শ্ৰীঅশ্বিনী ৰায় চৰকাৰ ডাঙৰীয়াই তেখেতেও ১৪-২-২০১৮ তাৰিখৰ অসমীয়া প্ৰতিদিন বাতৰি কাকতত প্ৰকাশিত তলত দিয়া বিষয়টো আজিৰ তাৰিখৰ শূণ্যকালীন ঘণ্টাত উপস্থাপন কৰিবৰ কাৰণে তেখেতে এই বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ কৰিবৰ কাৰণে মাননীয় সদনত উত্থাপন কৰিছে, এই বিষয়টো আমাৰ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে, মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো বহুত দিনৰ পৰা চলি অহা এটা সমস্যা, ৬টা জনেগোষ্ঠীৰ জনজাতি কৰণত অন্তৰ্ভূক্ত হ'বৰ কাৰণে বহুদিন ধৰি তেওঁলোকে আন্দোলন কৰি আহিছে, প্ৰথমতে ৰাজবংশী জনগোষ্ঠীয়ে অকলশৰীয়া ভাৱে চেষ্টা চলাইছিল আৰু ২০০৬ চনৰ পৰা একত্ৰিত ভাৱে ৬টা জনগোষ্ঠীৰ জনজাতি কৰণ যাতে হয় বা জনজাতি হিচাপে

স্বীকৃতি পায়, তাৰ কাৰণে একেলগে ৬টা জনগোষ্ঠীয়ে আন্দোলন চলাই অহাটো আমাৰ সকলোৰে অৱগত। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোত সকলোৰে একমত, ৰাজবংশী জনগোষ্ঠী সকল বা ৰাজবংশী সমাজ আৰু আদিবাসি সমাজ থিক তেনেদৰে চুতীয়া, মৰাণ, মটক সকলে পিছপৰা জনগোষ্ঠী হিচাপে আমি সকলোৰে গম পাওঁ। সেই গতিকে আমাৰ চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে লৈছে। সেই গতিকে কেন্দ্ৰীয় চৰকাৰৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডী ডাঙৰীয়াই, প্ৰধান মন্ত্ৰী হোৱা কালতে তেখেতে এই ৬ জনগোষ্ঠীৰ যি সমস্যা, সেই সমস্যাৰ সমাধান কৰাৰ কাৰণে যাতে শান্তিপূৰ্ণভাৱে ভাৱে সমস্যা সমাধান হয়, তাৰ কাৰণে এই বিষয়টো চালি জাৰি চাবৰ কাৰণে এটা কমিটি গঠন কৰি দিবৰ কাৰণে নিৰ্দেশ দিয়ে, সেই নিৰ্দেশ মতে ২০১৬ তাৰিখৰ ২৯ ফ্ৰেব্ৰুৱাৰীৰ দিনাখন এটা কমিটি গঠন কৰা হয়। ইয়াত মই পঢ়ি দিছো, হোজাই খানৌজি Director north east তেখেতৰ অৰ্ডাৰটো মই এই পবিত্ৰ সদনত যাতে সকলোৰে জ্ঞাত হয়, তাৰ কাৰণে মই পঢ়ি দিছো, যে It has been decided to set up a committee to recommend the modalities for granting of scheduled Tribes status to six Communities namely Koch Rajbongshi, Moran, Matak,Tai-Ahom, Chutia Adivasi,(Tea-Tribes) in Assam. The composition of the Committee shall be as under. কমিটি বনোৱা হৈছে, কমিটিৰ সভাপতি হিচাপে Special Secretary, Ministry of Home Affairs তেখেতক সভাপতি হিচাপে ৰখা হৈছে, আৰু মেম্বাৰ হিচাপে ৬ গৰাকী বিষয়াক ৰখা হৈছে, তাৰ ভিতৰত Register General of India, Joint Secretary of Ministry of Tribal Affairs, Joint Secretary, (North East ), Government of India's representative for peace talks (Special invitee) হিচাপে তেওঁক মেম্বাৰ বনোৱা হৈছে, আৰু Director of (NE) Member Secretary বনোৱা হৈছে। তেওঁলোকে যাতে Modality টো বনায় তাৰ কাৰণে কমিতিটো বনোৱা হৈছে। তেতিয়াৰ পৰা এই কমিটিটোৱে মাজে মাজে মিটিং কৰিছে আৰু কমিটিটোত আমাৰ representative হিচাপে উপস্থিত আছে, আমাৰ অসমৰ Additional Chief Secretary শ্ৰীযুত ৰাজীৱ বৰা ডাঙৰীয়া। তেখেত Tribal Affairs, ত Additional Chief Secretary আছে, তেখেতক মেম্বাৰ হিচাপে ইয়াত অন্তৰ্ভূক্ত কৰিছে, প্ৰতিটো মিটিঙত তেখেতে গৈ আলোচনাত মিলিত হৈছে। এই ৬টা জনগোষ্ঠীক Tribal কৰিবৰ কাৰণে কাৰো দ্বিমত নাই। আপোনালোকে গম পায় যে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমক Team অসম হিচাপে গঠন কৰি অসমক আগবাঢ়াই লৈ যাবৰ কাৰণে বাৰে বাৰে কৈছে, আজি আমাৰ পবিত্ৰ সদনত সিদিনাখন ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য দিওঁতে আপোনালোকে শুনিছে, যে সকলো জনগোষ্ঠীক লৈ তেখেতে আগবাঢ়ি যাব বিচাৰিছে। এই কথাটো তেখেতে বড়ো সাহিত্য সভাত কৈছিল। অসমৰ তেতিয়াহে উন্নতি হব যেতিয়া আমি সকলো জনগোষ্ঠীৰ উন্নয়ণৰ কাৰণে চিন্তা কৰিম। সকলো জনগোষ্ঠীৰ উন্নতি হলে অসম উন্নতি পথত আগবাঢ়িব। এই কথাটো যাতে বাস্তৱত সত্য হয়, তেখেতে আন্তৰিকতাৰে বিচাৰিছে, গতিকে ইয়াত কোনো সন্দেহৰ থল নাই। গতিকে এই বিষয় লৈ যাতে দ্ৰুত গতিত কাম কৰা যায়, তাৰ কাৰণে ব্যৱস্থা লৈ থকা হৈছে, এই কমিটিয়ে কি কৈছে, তেওঁ লোকৰ কেৰেক্টাৰটো কেনেকুৱা ধৰণৰ হব লাগে এইটো কৈছে, The Committee shall in consultation with the Government of Assam suggest the modalities for the required reservations, of shifting the

existing reservation for these communities from OBC to ST, ৬টা জনগোষ্ঠীটো OBC হিচাপে স্বীকৃতি পাইছে, সেই বাবে তেওঁলোকক OBC পৰা ST হিচাপে লৈ আহিবৰ কাৰণে সেইটো চালি জাৰি চাই থকা হৈছে, OBC to ST protecting the interests of existing tribes, যি সকল খিলঞ্জীয়া জনগোষ্ঠী সকল আছে, তেওঁলোকৰ যাতে interest ত আঘাত নহয়, তেওঁলোকৰ স্বাৰ্থত যাতে আঘাত হানিব নালাগে, তেনেকুৱা ধৰণৰ Modalities তৈয়াৰ কৰিবৰ কাৰণে কোৱা হৈছে, a mechanism to ensure fairness of reservations within these six communities and related security considerations এইটো কোৱা হৈছে। The State Government may, if they so desire, nominate their representative on the Committee, at a level not lower than Secretary to the Government of Assam, The Committee may associate a representative from any department/Ministry of Government of India to carry out its task, if and as necessary এইটো কোৱা হৈছে, ইয়াত ভাৰত চৰকাৰে কেন্দ্ৰীয় চৰকাৰে আপোনালোকৰ বিষয়টো আগৰ পৰা আন্তৰিকতাৰে লৈছে। আপোনালোকৰ চৰকাৰৰ দিনতো লৈ আছে, এই চৰকাৰৰ দিনতো মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বিষয়টো গুৰুত্ব সহকাৰে লৈছে। কিন্তু এতিয়া লৈকে হৈ উঠা নাই। এই ৬টা জনগোষ্ঠীৰ জন জাতি হিচাপে স্বীকৃতি প্ৰদান কৰিলে অসমত যাতে শান্তি সম্প্ৰতি বজাই থাকে তাৰ কাৰণে বহুত কথা চালি জাৰি চাব লাগিব। সেই কাৰণে অলপ দেৰি হৈছে, সেই দেৰি হোৱাৰ কাৰণে আপোনালোকে আমাৰ চৰকাৰক সময় দিব লাগিব, কেন্দ্ৰীয় চৰকাৰক সময় দিব লাগিব। এইটো আমাৰ অসম চৰকাৰৰ হাতত নাই, আপোনালোকে গম পাইছে যে এই বিষয়টো লৈ সদনত দুইবাৰ Consensus সিদ্ধান্ত লৈ ভাৰত চৰকাৰৰ লগত আলোচনা কৰা হৈছে আৰু ইয়াতে প্ৰস্তাৱ লোৱা হৈছে, এই কথাটো আপোনালোকৰ অৱগত গতিকে কোনো দলমত ধৰ্ম নিৰ্বিশেষে, কোনো ধৰণৰ দ্বিমত নাথাকক সকলোৱে একত্ৰিত হৈ এই বিষটো যাতে সমাধান কৰে, তাৰ কাৰণে আমাৰ অসম চৰকাৰে চিন্তা কৰিছে। গতিকে আমি আশা ৰাখিছো অদূৰ ভৱিষ্যতত এই ৬টা জনগোষ্ঠীয়ে অতি শীঘ্ৰে জনজাতি হিচাবে স্বীকৃতি পাব। এই কথাত আমাৰ বিশ্বাস আছে, গতিকে মই মাননীয় সদস্য সকলক এই বিষয়টো লৈ কোনো ধৰণৰ চিন্তা যাতে নকৰে তাৰ কাৰণে আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো সকলোৱে জানে এইটো এটা অত্যন্ত Delicate Issue আমি বিচাৰো এইটো কেনেকৈ হয়গে। আৰু সেই হোৱাৰ পথত যেতিয়া কৈছে, We Should with for sometime. ইয়াৰ পিছতে আমাৰ Question No.2 টেৰছ গোৱালা তেখেতে Under Rule-54 তেওঁৰ বিষয়টো উত্থাপন কৰিব।

**শ্ৰী টেৰচ গোৱালা (মাননীয় সদস্য, ডুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখৰ “খবৰ প্ৰবাহ” কাকতত প্ৰকাশিত “চৰাইদেউত আতংক, কানুৰ পিছত বৰহাট - উজনিত ৭ দিনৰ ভিতৰত পুনৰ চাহ বাগিচাত ভয়াবহ আক্ৰমণ” শীৰ্ষক বাতৰিটোৰ প্ৰতি গৃহ বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। কাৰণ আমি সকলোৱে জানো চাহ বাগিছা কেৱল এটা বাগিচা হৈ থকা নাই। এই চাহ বাগিচাত লক্ষ লক্ষ চাহ শ্ৰমিক সকলৰ জীৱনৰ লগত সম্পৰ্ক আছে, তেজৰ লগত সম্পৰ্ক আছে আৰু সেই কাৰণে মই এনেকুৱা ধৰণৰ ঘটনা ঘটিলে বহুত দুখ পাওঁ।

সেই কাৰণে মই চৰকাৰক অনুৰোধ জনাম ইতিমধ্যে কেৱল সোণাৰী সমষ্টিৰ কথাই নহয়, "খবৰ প্ৰবাহ" কাকতৰ তথ্য মতে সন্দেহ জনক আলফা স্বাধীনৰ ৫জনীয়া গোটে ইতিমধ্যে কানুবাৰী চাহ বাগিচাত আক্ৰমণ কৰিছে, তাৰ পিছত বৰহাট চাহবাগিচাত আক্ৰমণ কৰিছে থিক একেদৰে আমি বিভিন্ন কাকত পত্ৰৰ প্ৰচাৰ তথ্য মতে তিনিচুকীয়া জিলাৰ পেঙেৰী চাহ বাগিচা, শ্ৰী কৃষ্ণ চাহ বাগিচা ঢলা চাহ বাগিচাত অনুৰূপ ধৰণৰ ঘটনা ঘটি আছে, ইয়াৰ উপৰিও আমি জানো আলফাই নহয়, আমাৰ অসম নাগালেণ্ড সীমান্তত বিশেষকৈ যোৰাহট জিলাৰ মৰিয়ণী অঞ্চলত, চেলেং চাহবাগিচা, নাগিনিজান চাহবাগিচা, হলৌং গুৰী চাহ বাগিচা, চটাই চাহ বাগিচা নাগাযাংকা চাহ বাগিচা, খেৰেনিয়া চাহ বাগিচা, ৰামখাম চাহ বাগিচাকে ধৰি বহুকেইখন চাহবাগিচাত নগা উগ্ৰপন্থীয়েও এই ধৰণে অনুৰূপ ধন দাবী আক্ৰমণ চলাই আছে, গতিকে মই চৰকাৰক অনৰোধ জনাইছো যে চৰকাৰে বে-আইনী কামৰ বিৰুদ্ধে যি ধৰণে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে, এই উগ্ৰপন্থীৰ বিৰুদ্ধে ও কঠোৰতকৈ ও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু মই ভাবো আজি সদনৰ পৰা এটা বাৰ্তা যাব লাগে। যে অসম চৰকাৰে অন্ততঃ এই ক্ষেত্ৰত যথেষ্ট কঠোৰ সিদ্ধান্ত লৈছে। মই ভাবো যদি প্ৰয়োজন হয় সামৰিক বাহিনী নিয়োগ কৰিব লাগে। কাৰণ চাহ-শ্ৰমিক সকল যথেষ্ট শংকিত হৈ আছে। মোক মালিক সকলে কোৱা নাই, চাহ-শ্ৰমিক সকলে টেলিফোন যোগে জনাই আছে যে চৰকাৰে ইয়াৰ ওপৰত এটা বিহীত ব্যৱস্থা লব লাগে। এফালে চাহ-বাগিচাৰ মালিক সকলে চাহ-বাগিচাৰ ল'ষ্ট দেখুৱাই শ্ৰমিক সকলক এটা Threatening দি আছে আনফালে আকৌ যদি উগ্ৰপন্থীৰ দ্বাৰা আক্ৰমণ হয়, তেতিয়াহলে স্বাভৱিকতে আমি চাহ-উদ্যোগ বিলাক বচাব নোৱাৰিম। যদি চাহ-উদ্যোগ বিলাক বচাব নোৱাৰো, তাৰ নিৰাপত্তা দিয়াত যদি অসুবিধা হয় তেতিয়াহলে নিশ্চয় চাহ-শ্ৰমিক ৰাইজ যথেষ্ট সংকটত পৰিব। সেই কাৰণে মই আজি সদনৰ জৰিয়তে চৰকাৰৰ অনুৰোধ জনাইছো যে, এনেধৰণৰ উগ্ৰপন্থীৰ বিৰুদ্ধে কঠোৰতকৈ কঠোৰতম যি ব্যৱস্থা লব লাগে সকলো ব্যৱস্থা লবলৈ মই আহ্বান জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীতেৰছ গোৱালা ডাঙৰীয়াই যিটো বিষয়ত কানুবাৰী আৰু বৰহাট চাহ-বাগিচাৰ ঘটনাৰ পিছত চৰাইদেউ জিলাত নিৰাপত্তাৰ প্ৰতিৰক্ষাৰ বাবে লোৱা ব্যৱস্থাৰ সম্পৰ্কত যিটো বিষয় উত্থাপন কৰিছে, এই ক্ষেত্ৰত আমি এটা কথা জনাওঁ যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যিদিনা মুখ্যমন্ত্ৰী ৰূপে শপত গ্ৰহণ কৰিছিল তেখেতে তেতিয়া চাৰিটা বিন্দু ঠিক কৰি দিছিল। সেই চাৰিটা বিন্দুৰ ভিতৰত আছিল এটা হ'ল - সন্ত্ৰাস মুক্ত অসম, দ্বিতীয়টো হ'ল - বিদেশী মুক্ত অসম, তৃতীয়টো হ'ল - প্ৰদূষণ মুক্ত অসম আৰু চতুৰ্থটো হ'ল- দুৰ্নীতি মুক্ত অসম। এইযে মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিন্দু ৪টা স্থিৰ কৰি দিছে, এই বিন্দুকেইটাৰ আমি এক বিন্দুও ইফাল-সিফাল, লৰ-চৰ নকৰো। গতিকে সন্ত্ৰাস মুক্ত অসম মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চাৰিটা বিন্দুৰ ভিতৰৰ এটা। গতিকে কোনো পৰিস্থিতিত, কোনো কাৰণত আমি এনেকুৱা ধৰণৰ ঘটনা আমি কেতিয়াও Tolerate নকৰো আৰু ইয়াক কঠোৰ হাতেৰে দমন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম। এই কথাখিনি আমি আজি সদনৰ মজিয়াত জনালো। মাননীয় সদস্যগৰাকীয়ে কৈছে যে শংকিত হৈছে, শংকিত হ'বলগীয়া তেনেকুৱা কোনো ঘটনা হ'ব নালাগে কাৰণ ৰাইজক নিৰপত্তা দিয়াটো চৰকাৰৰ প্ৰাথমিক কৰ্ত্তব্য। ৰাইজৰ জীৱন আৰু সম্পত্তিক নিৰপত্তা দিয়াটো চৰকাৰৰ প্ৰাথমিক কৰ্ত্তব্য। আমাৰ চৰকাৰে এই প্ৰাথমিক কৰ্ত্তব্যত অৱহেলা নকৰে আৰু মুখ্যমন্ত্ৰীৰ চাৰিটা বিন্দুৰ ভিতৰত এটা বিন্দু বুলি ইতিমধ্যে মই আপোনাক জনাইছো। উপাধ্যক্ষ মহোদয়, অসমত আজি

Law and Order Situation ভাল হৈছে। ভাল হোৱা কাৰণে অসমত এটা পৰিবেশ গঢ়ি উঠিছে। ৰাইজৰ মাজতো পৰিবেশ গঢ়ি উঠিছে, ৰাইজে আজি ভাল ধৰণে গোটেই ৰাজ্যখনত চলা-ফুৰা কৰিব পাৰিছে। যিবিলাক আমাৰ উৎসৱ আছে, সেই উৎসৱৰ সময়ত ভালদৰে উৎসৱ পালন কৰিব পাৰিছে। তাৰোপৰি ব্যৱসায়ী সকলেও আজি নিৰাপত্তা অনুভৱ কৰিছে আৰু সেই কাৰণে অসমত আজি এটা ব্যৱসায়ৰ ক্ষেত্ৰত, কমাৰ্চ আৰু উদ্দ্যোগ ৰ ক্ষেত্ৰত এই চেক্টৰটোত এটা নতুন পৰিৱৰ্তন অহাটো উপাধ্যক্ষ মহোদয় আপুনিও পৰিলক্ষিত কৰিছে। আজি আমাৰ দেশৰ লগতে বাকী ২৩ খন দেশৰ প্ৰতিনিধিয়ে Advantage Assam ত আহিছে। এইবিলাক মাল্টিনেশ্যনেল কোম্পানীৰ তেওঁলোকৰ নিজৰ নিজৰ Feedback আছে, নিজৰ নিজৰ Plan লৈ আহিছে। ইয়াতে প্ৰায় ৩৫ ৰ পৰা ৪০ খন Charter Plane গুৱাহাটীত নামিছে , গতিকে তে ওঁলোকে ইয়াত যেতিয়া আহিছে অসম সম্পৰ্কে খৰৰ লৈ আহিছে। সেই খৰৰ লৈ আহি তেওঁলোকে অসমত Law and Order Situation টো যে আজি বৰ্তমান ভাল, এই চৰকাৰে যে গোটেই পৰিস্থিতিটো নিয়ন্ত্ৰণলৈ আনিছে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এই খৰৰটো পাইছে। গতিকে সেই কাৰণে আজি Advantage Assam ত ইমান হাজাৰ জন Investor উপস্থিত হ'ব পাৰিছে। গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো শংকা প্ৰকাশ কৰিছে, সেই শংকা প্ৰকাশ কৰিব নালাগে। মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ খনে , বৰ্তমান নিজে তেখেতে সপ্তাহত, তিনি দিনত ৰাজ্যখনৰ গোটেই আইন শৃংখলা পৰিস্থিতি ৰিভিউ কৰি আছে, প্ৰতিটো মুহূৰ্তত যেনেকৈ ৰিভিউ কৰি আছে আৰু ৰিভিউ কৰি থকা কাৰণে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিটো নিয়ন্ত্ৰিত হৈ আছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত আমাৰ সকলোৱে বৰঞ্চঃ মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদহে দিব লাগে যে ইমান কঠোৰ ভাৱে তেখেতে এই ব্যৱস্থা গ্ৰহণ কৰি আছে। গতিকে গোটেই ঘটনাটোৰ বিৱৰণীটো হ'ল এনেকুৱা ধৰণৰ যে ২০১৮ চনৰ ৩১ জানুৱাৰী তাৰিখে আৰু উপাধ্যক্ষ মহোদয় ঘটনাটো কোৱাৰ আগতে এটা কথা কওঁ যে কিছুমান সংগঠনৰ আজিৰ দিনত তেওঁলোকে নিজৰ ক্ষমতা প্ৰদৰ্শণ কৰাৰ বাবে দুই-এটা সৰু ঘটনা কৰিব পাৰে, তাৰমানে এইটো নহয় যে তেওঁলোকে চৰকাৰৰ আইন শৃংখলা পৰিস্থিতিক বিশৃংখল কৰিছে। তেওঁলোকে আগৰ বিগত দিনৰ চৰকাৰৰ সময়ত আইন শৃংখলাৰ পৰিস্থিতিৰ উৰ্দ্ধতগৈ আইন শৃংখলা পৰিস্থিতিটো বিশৃংখল কৰি দিছিল আৰু বিশৃংখল কৰি দিয়াৰ ফলত জনসাধৰণ আৰু গোটেই ৰাজ্যখনৰ নিৰাপত্তা নাইকিয়া হৈ গৈছিল, কিন্তু আজিৰ দিনত গোটেই আইন শৃংখলা পৰিস্থিতিটো কঠোৰভাৱে নিয়ন্ত্ৰিত হৈ আছে, এইটো স্পষ্ট। তাৰকাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ দিছো। কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতি সপ্তাহত, প্ৰতি তিনি-চাৰিদিনত Law and Order Situation টো গোটেই ৰাজ্যখনত ৰিভিউ কৰি আছে যাতে প্ৰতিজন অসমত বসবাস কৰা মানুহে নিজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা লাভ কৰিব পাৰে। গতিকে আজি আইন শৃংখলা পৰিস্থিতিটো সম্পূৰ্ণ নিয়ন্ত্ৰিত হৈ আছে। মই Statistics দিব পাৰো কিন্তু দীঘলীয়া হ'ব। আজি গোটেই দেশ খনৰ Statistics যদি চাই অসমৰ আইন শৃংখলা পৰিস্থিতি বহুত ওপৰত আছে, আজিৰ দিনত comparatively. যদি গোটেই ভাৰত বৰ্ষত চাও।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২ নম্বৰত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আপোনালেকেতো কবই, আপোনালোকে সেইবিলাক নকৈ কি কব ? আপোনালোকে যদি এই বিলাক নকয় অপ'জিচন কেনেকৈ হ'ল। গতিকে কৈ থাকক। আপুনি কলে হ'ল ২ নম্বৰ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তথ্য সঠিক দিব লাগে।

**माननीय উপাধ্যক্ষ ঃ** এইটো Debate ৰ বিষয় নহয়, আপুনি বহক, আপুনি বহক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ভাৰত চৰকাৰৰ তথ্যমতে আপুনি কৈছে ঠিকে আছে। গতিকে আপুনি সক্ৰিয় মই ভাল পাইছো সেইবাবে। কিন্তু কথা হ'ল যিটো আপুনি এক্টিভ এতিয়া, আপোনালোকৰ চৰকাৰ চলি থাকোতে ১৫ বছৰত এই এক্টিভ যদি ৰাইজৰ সম্পৰ্কে হ'ল হেতেন বহুত ভাল হ'ল হেতেন।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ১০ নম্বৰ ১ নম্বৰ কথা নাই, তথ্য সঠিক দিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক, আপুনি বহক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আজি ৰাজ্য খনত আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰিত হৈ আছে, এইটো কথা স্পষ্ট আৰু প্ৰতিজন ব্যক্তিক জীৱন আৰু সম্পত্তিৰ নিৰপত্তা দিয়াত চৰকাৰে কোনো কাৰ্পণ্য নকৰে আৰু এনেকুৱা ধৰণৰ সন্ত্ৰাসবাদীৰ যিকোনো ঘটনাকে চৰকাৰে কঠোৰ হাতেৰে দমন কৰিব এই কথাটো স্পষ্ট। এই কথাটো ১০০ শতাংশ স্পষ্ট আৰু এইটো মুখ্যমন্ত্ৰী মহোদয়ৰ চাৰিটা বিন্দুৰ ভিতৰত এটা। কাৰণ মই আগতেও কৈছো যে, সন্ত্ৰাসমুক্ত অসম, দুৰ্নীতিমুক্ত অসম, প্ৰদূৰ্ষণ মুক্ত অসম আৰু বিদেশীমুক্ত অসম। তাৰে এটা বিন্দু হ'ল সন্ত্ৰাসমুক্ত অসম। গতিকে অধ্যক্ষ মহোদয়, গোটেই ঘটনাটো মই গাই দিওঁ। -( হুলুস্থুল)- ঘটনাটো হ'ল, ২০১৮ চনৰ ৩১ জানুৱাৰী তাৰিখে নিশা প্ৰায় ন বজাত অস্ত্ৰধাৰী দুজন দুস্কৃতিকাৰী সন্দেহজনক আলফা সদস্যই কানুবাৰী চাহ বাগিচাৰ ফেক্টৰীৰ ভিতৰলৈ আহি এটা মোনা ফেক্টৰীৰ জপনা ৰখীয়া চকীদাৰক দি নিৰ্দেশ দিয়ে যে এই মোনাটো ফেক্টৰীৰ চাৰিসীমাৰ ভিতৰলৈ লৈ যাব লাগে। ঠিক সেই সময়তে বিপৰীত দিশৰ পৰা এখন গাড়ী অহাত সন্দেহজনক আলফা সদস্য দুজনে বিপদৰ আশংকা কৰি কাষৰ খেতি পথাৰত লুকাই পৰে। সন্দেহজনক আলফা সদস্য দুজনৰ কিংকৰ্তব্য বিমুঢ়তাৰ সুযোগ লৈ চকিদাৰজনে সন্দেহজনক মোনাটোত বিস্ফোৰক থকাৰ সন্দেহতে কাষৰ কৃষিপথাৰলৈ দলিয়াই দি ফেক্টৰীৰ ফাললৈ দৌৰি যায়। সেই সময়ত সন্দেহজনক আলফা সদস্য দুজনে প্ৰায় ২০-৩০ জাঁই মান গুলী ফেক্টৰী আৰু চাহ বাগিচাৰ কাৰ্য্যালয়লৈ বুলি গুলিয়ায়। কিছু বুলেটে কাৰ্য্যালয় আৰু ফেক্টৰীৰ বেৰত, খিৰীকিৰ গ্লাচত আৰু টিঙত আঘাত কৰে যদিও কোনো জনসাধাৰণ বা শ্ৰমিক ইয়াৰ দ্বাৰা জখমী হোৱা নাছিল।

ঘটনাৰ পিছতে আৰক্ষীৰ এটা দলে তৎক্ষনাত কাষৰ অৰণ্যত অভিযান আৰম্ভ কৰে। এই অৰণ্য নাগালেণ্ডৰ মন জিলাৰ দক্ষিণ- পশ্চিমত আৰু অৰুণাচল প্ৰদেশৰ লংডিঙৰ পূৱ দিশত অৱস্থিত। আৰক্ষীয়ে লগে-লগে কানুবাৰী চাহ বাগিচাৰ ফেক্টৰীৰ এৰিয়া ঘেৰাও কৰি অভিযান চলায়আৰু এই অভিযান কালত এক ৰাউণ্ড এ কে ৪৭ ৰাইফলৰ জীৱন্ত গুলী আৰু ১৬ খালী কাৰ্টিজ উদ্ধাৰ কৰে, লগতে এটা মোনা য'ত আই ই ডি আছিল। ঘটনাৰ পিছদিনাই দেৰগাওঁৰ বোমা বিশেষজ্ঞৰ দলে ঘটনাৰ ঠাইত উপস্থিত হয় আৰু আই ই ডি টো নিস্ক্ৰিয় কৰে। এই সংক্ৰান্তত চৰাইদেউ জিলাৰ সাপেখাতী থানাত গোচৰ নং ৩৭ / ১৮ ধাৰা 120(A)/121/121(a)/38/ 307/427 IPC R/W Sec 27 Arms Act R/W Sec.10/13 UA(P) Act ত এক গোচৰ পঞ্জীভুক্ত কৰা হয়। মন কৰিবলগীয়া যে, কানুবাৰী চাহ বাগিচাৰ কতৃপক্ষই আলফাৰ পৰা ধনদাবীৰ পত্ৰ ২০১৭ চনৰ পৰা GROB চাহ কোম্পানীৰ মালিকৰ জৰিয়তে লাভ কৰি আহিছিল।

৫ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে নিশা প্ৰায় ১০.৪৫ বজাত সন্দেহযুক্ত আলফা সদস্যই বৰহাট চাহ বাগিচাৰ (বৰহাট চাহ বাগিচাৰ মাটি কালি ১২২৭ হেক্টৰ আৰু ১৫ লাখ কেজি চাহ

প্ৰতিবছৰে উৎপাদন হয়।থানা-বৰহাট, চৰাইদেউ। বৰহাট চাহবাগিচা এমালগেমেটেট)ফেক্টৰীৰ জপনাৰ ওচৰলৈ আহি ফেক্টৰী আৰু বাগিচাৰ কাৰ্য্যালয়ৰ ফালে যধে-মধে গুলীবৰ্ষন কৰে। এই গুলী চালনাত ফেক্টৰী আৰু কাৰ্য্যালয়বোৰত আঘাত লগাৰ উপৰিও খিৰীকিৰ গ্লাচবোৰ ভাঙালৈ অনুমান কৰি গ্ৰেনেড বিস্ফোৰণ হোৱা বুলি সন্দেহ কৰা হৈছে।

ঘটনাৰ লগে-লগে বৰহাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই সেনা বাহিনীৰ সহযোগত ঘটনাৰ ঠাই ঘেৰাও কৰে। অন্যহাতে চৰাইদেউ জিলাৰ আৰক্ষী অধীক্ষক আৰু অন্য বিষয়া জোৱানে উক্ত ঠাইত উপস্থিত হৈ অৰুণাচল প্ৰদেশৰ লংডিং জিলাৰ হালুৱা সংৰক্ষিত বনাঞ্চলত অভিযান চলায়। এই অভিযানত ১৬ টা এ কে ৪৭ ৰাইফলৰ গুলীৰ কাৰ্টিজ আৰু এটা গ্ৰেনেড লিভাৰ উদ্ধাৰ কৰে। এই সংক্ৰান্তত বৰহাট থানাত এক গোচৰ নং ৭/১৮ ধাৰা 120(B)/121/121(A)/ 387/307/427 IPC R/W 27 Arms Act, R/W Sec. 10/13 UA(P) Act-ৰ অধীনত পঞ্জীয়নভুক্ত কৰা হ'ল।

৬ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (পূৱ মাণ্ডলিক) যোৰহাট গৈ নিৰাপত্তা বিষয়টো পৰ্য্যবেক্ষণ কৰে আৰু উপৰোক্ত বাগিচা দুখনত হোৱা দুটা ঘটনাৰ বাবে জিলাখনৰ নিৰাপত্তাৰ বিষয়টো তদাৰক কৰিবলৈ চাৰিটা খণ্ডত বিভক্ত কৰি সেনা বাহিনীৰ লগত বিস্তৃত আলোচনা কৰে। প্ৰতিটো খণ্ডতে এজন ৰাজপত্ৰিত বিষয়াৰ নেতৃত্বত সন্ত্ৰাসবিৰোধী অভিযান সেনা, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উপৰিও কামাণ্ডু সকলক লৈ অভিযান চলোৱাৰ ব্যৱস্থা কৰে। জিলাখনৰ চাৰিটাখণ্ড হ'ল ---

১) কানুবাৰী খণ্ড----লাখহাও ডুংগেল, এ পি এ ছ, অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ),চৰাইদেউ
২) টিংগালীবাম খণ্ড--- গায়ত্ৰী কোঁৱৰ, এ পি এ ছ, অতিৰিক্ত আৰক্ষী অধীক্ষক (নিৰাপত্তা),চৰাইদেউ
৩) চৰাইপুং--- বৰহাট খণ্ড---ত্ৰিদীপ কুমবেং, এ পি এ ছ, মহকুমা আৰক্ষী বিষয়া,সোণাৰী
৪) চৰাইদেউ খণ্ড---বংশীধৰ বৰা---এ পি এ ছ, উপ আৰক্ষী অধীক্ষক (নিৰাপত্তা),চৰাইদেউ

আন্ত:ৰাজ্যিক সীমান্তত সজাগতা বৃদ্ধি কৰি সকলো প্ৰকাৰৰ সন্ত্ৰাসৰ কাৰ্য্যকলাপ বন্ধ কৰিবলৈ ব্যৱস্থা লোৱা হয়। ইয়াৰ উপৰি অৰুণাচলৰ ঘন অৰণ্যত সেনা আৰু আৰক্ষী কামাণ্ডুৰ যুটীয়া অভিযানৰ দল গঠন কৰি Hit Squad ৰ জৰিয়তে আত্মগোপন কৰা সন্ত্ৰাসবাদীক অভিযান চলোৱা হয়।এই যুটীয়া অভিযান উটুংখা, নামডিং,চানু ৰংলোৱা,ৰোচা আৰু লোৱাকচিম লগতে সমান্তৰালভাৱে নাগালেণ্ডৰ আপাৰ মানথাই, লোৱাৰ টিৰু, লাওখোন আৰু জবকা অঞ্চলত যুটীয়া অভিযান আৰম্ভ কৰা হয়, ৰাজ্যিক আৰক্ষীৰ দ্বাৰা সীমান্তৰ আশে-পাশে। ওপৰত উল্লেখ কৰা খণ্ডসমুহত কাৰ্য্যকৰী হোৱাকৈ সেনা আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীক নিৰ্দ্ধাৰণ কৰি জ্যেষ্ঠ আৰক্ষী বিষয়াক অভিযান চলাবলৈ ভগাই দিয়ে ।এই সংক্ৰান্তত নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ (অসম সীমান্তৰ কাষৰ ) থানা সমূহক চোকা দৃষ্টিৰে সহযোগ কৰিবৰ বাবে কোৱা হয়। এই সংক্ৰান্তত মন জিলাৰ টিজিৎ সেনা চাউনীত চৰাইদেউৰ আৰক্ষী অধীক্ষক আৰু অতিৰিক্ত আৰক্ষী অধীক্ষকৰ উপস্থিতিত বিষদ আলোচনা কৰা হয়। নাগালেণ্ডৰ টিজিৎ মহকুমাৰ আৰক্ষী বিষয়াজনেও সহযোগ কৰে। মন কৰিবলগীয়া যে, ২৬ জানুৱাৰী ২০১৮ ত সেনা আৰক্ষীৰ ব্যাপক অভিযানৰ কাৰণে কোনো কুটাঘাত মূলক কাৰ্য্য সন্ত্ৰাসবাদীয়ে কৰিব নোৱাৰিলে। নিজৰ অস্তিত্ব জাহিৰ কৰিবৰ বাবে গণতন্ত দিবসৰ পিছত দুটা কুটাঘাত মূলক ঘটনা কানুবাৰী আৰু বৰহাট চাহ বাগিচাত সংঘটিত কৰে।

সন্দেহযুক্ত ঠাইত বৰ্তমানেও সন্ত্ৰাসবাদীৰ ওপৰত তীক্ষ্ণ নজৰ আৰু গতি বিধি লক্ষ্য কৰি থকা হৈছে আৰু আলফাই ব্যৱহাৰ কৰা ভ্ৰাম্যভাষ নম্বৰৰ পৰ্য্যবেক্ষন কৰি থকা হৈছে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (কৰিমগঞ্জ)ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ পাটোৱাৰী ডাঙৰীয়াই হাৰিয়ানাৰ পিছতেই অসম বুলি যি অসত্য তথ্য দিলে, এনেদৰে অসত্য আৰু ভুল বাৰ্তা আমাৰ সদনত দিয়াটো ঠিক হোৱা নাই।

**মাননীয় উপাধ্যক্ষঃ** কমলাক্ষ ডাঙৰীয়া, এতিয়া Rule 54 চলি আছে। আপোনাৰ যি বিষয় আছে সেইটো বেলেগ দিনত আনিব। Rule 54 ত debate নহয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** উপাধ্যক্ষ মহোদয়, মই এটা কথা বাৰে বাৰে কৈ আছো যে সন্ত্ৰাসমুক্ত অসমৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ compromise নকৰে। আজি অসমত যি আইন শৃংখলা পৰিস্থিতি বাহাল আছে, সেই ক্ষেত্ৰত আপোনালোকে অতীত পাহৰি নাযাব। অতীতৰ লগত সংগতি ৰাখি কথা ক'ব।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

(সদনত অধ্যক্ষ মহোদয়ে পুনৰ নিজৰ আসন গ্ৰহণ কৰে)।

**মাননীয় অধ্যক্ষঃ** এটা কথা ঠিক যে, Rule 54 ত কোনো ধৰণৰ debate হ'ব নালাগে। প্ৰথমতে, আপোনালোকে মন্ত্ৰী ডাঙৰীয়াৰ কথা খিনি শুনি লওঁক। তাৰ পিছত আপোনালোকে ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই এটা কথা কৈছো যে বৰ্তমান ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন হৈ আছে আৰু সন্ত্ৰাসবাদক আমি কেতিয়াও প্ৰশ্ৰয় নিদিওঁ। আমি আমাৰ চৰকাৰ গঠন হোৱাৰ আৰম্ভণিৰে পৰাই সন্ত্ৰাসমুক্ত অসমৰ কথা কৈ আহিছো, সেই কথা আজিও ক'ম আৰু ভৱিষ্যততো ক'ম। গতিকে ৰাজ্যখনত উদ্যোগীক বা বাণিজ্যিক দিশত যি বাতাৱৰণ গঢ়ি উঠিছে তাৰ কাৰণটো হ'ল যে, Law & Order situation in the state is under control. আৰু এই situation টো আমি সদায়ে বাহাল ৰাখিবলৈ চেষ্টা কৰিম। তেখেতে যি ২০০০ চনৰ আগৰ কথা কৈছে

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

অধ্যক্ষ মহোদয়, যদিহে ২০০১ চনৰ আগৰ কথা কোৱা হয়, তেনেহ'লে সেই সময়ত পৰিস্থিতি ভাল নাছিল। কিন্তু মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী থকা অৱস্থাত তেতিয়া এই পৰিস্থিতিৰ মুকাবিলা এনেকৈ কৰা হৈছিল যে আমাৰ কেবিনেট মন্ত্ৰী নগেন শৰ্মা ডাঙৰীয়াই সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ আহুতি দিব লগীয়া হৈছিল। আনকি মোৰ নিজৰ ভাতৃয়েও সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ হেৰুৱাইছিল। এনেকৈয়ে অসমত অজস্ৰ অগপ কৰ্মীৰ হত্যা হৈছিল। ডিব্ৰুগড়ৰ বিজেপিৰ বিধায়ক প্ৰাৰ্থী জয়ন্ত দত্তকো হত্যা কৰা হৈছিল। গতিকে আমাৰ ওপৰত এনেকুৱা বহুতো আক্ৰমণ হৈছিল। আমি সেই পৰিস্থিতিটো নিয়ন্ত্ৰণ কৰিব পৰা কাৰণে আমি কৰা কাৰ্যৰ ভাল ফলটো কংগ্ৰেছে তেওঁলোকৰ ১৫ বছৰীয়া শাসন কালত পাইছে।

**মাননীয় অধ্যক্ষঃ** মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া এতিয়া আপুনি কওঁক। নিয়ম মতে নোৱাৰি যদিও মই আপোনাক specially allow কৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভটাচাৰ্য, (পূৰ গুৱাহাটী)ঃ** এইখিনিতে মই এটা কথা কওঁ, বিপক্ষই এই যে চৰকাৰী তথ্য বুলি কৈছে, কি তথ্য সেইটো তেওঁলোকে দাখিল কৰক। দাখিল নকৰাকৈ এনেই মুখেৰে চৰকাৰী তথ্য বুলি ক'লে নহ'ব নহয়।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** মই আপোনালোকক এইবোৰ কাৰণতেই কৈছো যে Rule 54 ত কোনো ধৰণৰ question ও হ'ব নোৱাৰে আৰু কোনো debate ও হ'ব নোৱাৰে। কিন্তু, unfortunately ,

কেতিয়াবা এনেকুৱা হৈ যায়। সদনত মোৰো flexibility আছে, কিন্তু ইয়াৰ পিছতো গতানুগতিক চলি থাকিব লাগে। আপোনালোকৰ কিবা থাকিলে Come with a notice, I will allow. Now, please তৰুণ গগৈ ডাঙৰীয়া।

**শ্ৰী তৰুণ গগৈ, তিতাবৰঃ** এই যে আপোনালোকে আজি অতীতৰ কথা কৈছে, এই ক্ষেত্ৰত আমাৰ একো contribution নাই নেকি? মই আপোনাক প্ৰশ্ন কৰিছো। আমাৰ দিনত একো হোৱা নাই নেকি? ২০০১ নালাগে, ২০০৬, ২০০৮-১০ লৈকে বেয়া হৈ আছিল। সেই বিষয়েটো মই কোৱা নাই। ইয়াতেই কিমান bomb blast হৈছিল, বড়োলেণ্ডত, গুৱাহাটীত, ডিব্ৰুগড়ত কি হৈছিল সেই বিষয়ে সকলোৱে জানে। মোৰ দিনৰ কথাও কৈ আছো। আমাৰ দিনতো একে দিনাই হৈছিল বুলি মই কোৱা নাই। সন্ত্ৰাসবাদীৰ হাতত যদি মানুহ মৰিছে তেনেহ'লে কংগ্ৰেছৰ দিনতেই সৰ্বাধিক মৰিছে আৰু বহু কংগ্ৰেছীয়ে প্ৰাণ হেৰুৱাইছে। মই এইটো নকওঁ যে আপোনালোকৰ একো হোৱা নাই, আপোনালোকৰ মানুহেও বহুত ভূগিব লগীয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** হয়, সকলোৱে suffer কৰিছে। কিন্তু এইটো কথাক লৈ কোনো ধৰণৰ political debate হ'ব নালাগে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়া, বৰ্তমানৰ সদস্যই কিবা এটা ক'ব খুজিছে তাত মোৰ আপত্তি নাই। কিন্তু কথাটো হৈছে যে, it is not a debate. আপোনালোকে কোৱা কিবা কথাত যদি তেওঁলোকে clarification দিব বিচাৰে সেইটোত মই বেয়া নাপাওঁ। মই সন্মানীয় সদস্য সকলকো কৈছো যে, আপোনালোকৰ senior most মানুহ জন থিয় হৈ কথা কৈ আছে, গতিকে তেওঁৰ প্ৰতি আপোনালোকে সন্মান জনোৱা উচিত।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

মই আপোনালোকক পুনৰ বাৰ বহিবলৈ কৈছো। আপোনালোক সকলোৱে learned মানুহ। আপোনালোক সকলোৱে ক'ত কি চলি আছে ভালকৈয়ে জানে। আমি নিজৰ etiquette টো নিজে শিকিব লাগিব যে কেনেদৰে behave কৰিব লাগে। ইয়াত Rule ত উল্লেখ আছে যে মই যেতিয়াই থিয় হওঁ, যিমানেই ডাঙৰ কথা নহওঁক, You must seat down and that is the rule. মই কাকো ক'বলৈ নিদিয়াকৈ ওলাই নাযাওঁ, আপোনালোকে সকলোৱে ক'বলৈ পাব। আমাৰ question দিছে Rule 54. ৰ অধীনত সকলোৱে কিতাপখন পঢ়ক আৰু Speaker ক কি power দিয়া হৈছে চাওঁক। Rule 54 ৰ অধীনত specific question হ'ব, উত্তৰ দিব। আনকি questioner, he can not ask any question. That is rule 54.নিয়মৰ এই strictness টো বহুদিন ধৰি নাছিল। মানুহে কয় যে পৰম্পৰাটো আগতে এনেকুৱা নাছিল। মই কৈছো যে অনাটো ভাল আৰু as per rule আমি সদন চলোৱাটো ভাল। কেতিয়াবা দুই এটা কথাৰ flexibility থাকে। কিন্তু এই issue টো আমি সকলোৱে জানো। আমি সকলো প্ৰত্যক্ষদৰ্শী কিন্তু আমি সকলোৱে accuse কৰি নাথাকি সদনৰ ভিতৰতটো আমি এটা মেচেজ পঠিয়াব পাৰিব লাগিব। মই সেই কাৰণে শাসকৰ দল, বিৰোধীৰ দল সকলোকে কৈছো যে যিটো ঘটনা ঘটিছিল তাত সকলোৰে ক্ষতি হৈছে আৰু আটাইতকৈ ক্ষতি হৈছে অসমৰ সাধাৰণ মানুহৰ। তেওঁলোকে বহুত suffer কৰিছে আৰু এইটো আজিৰ ঘটনা নহয়, বহুদিনৰ পৰা হৈ থকা ঘটনা। গতিকে আমি সকলোৱে কথা উল্লেখ কৰিলে ভাল হ'ব। এনেকুৱা কৰিলে debate টো বাঢ়ি থাকিব। মই সেয়ে

শ্ৰী তৰুণ গগৈ ডাঙৰীয়াক চমুকৈ শেষ কৰিবৰ কাৰণে অনুৰোধ জনাইছো।

**শ্ৰী তৰুণ গগৈ ঃ** মই ইয়াত একো নকওঁ। সকলো credit আপোনালোৰেই।

**শ্ৰী পদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সঁচা ছবিখন প্ৰতিফলন হোৱাটো ভাল। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব ২০১৪ চনৰ ২৪ ডিচেম্বৰত যিটো ঘটনা সংঘটিত হৈছিল, যেনেধৰণৰ চিৰিয়েল হত্যাকাণ্ড সংঘটিত হৈছিল হোগ্ৰাজুলি, তিনিসুঁতি আৰু কোকৰাঝাৰত কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী আহি all out operation আৰম্ভ কৰিলে সেইদিনাৰ পৰা কিন্তু পৰিস্থিতি নিয়ন্ত্ৰণ হৈছে। এই কথাটো স্বীকাৰ কৰিব লাগিব। তাৰপিছত এটা পৰিৱৰ্তন হৈ আমাৰ চৰকাৰ যিদিনাৰ পৰা প্ৰতিষ্ঠিত হৈছে সেইদিনাৰে পৰা এই হত্যাকাণ্ড বিলাক হ্ৰাস হৈছে। পৰিস্থিতি ভাল হৈছে। ২০১৪ চনৰ ২৪ ডিচেম্বৰৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণ হৈছে কেন্দ্ৰীয় চৰকাৰৰ এটা পদক্ষেপৰ কাৰণে। বৰ্তমান আমাৰ চৰকাৰে যি শক্তিশালী পদক্ষেপ লৈছে তাৰফলত হত্যাকাণ্ড, ধনদাবী এইবোৰ হ্ৰাস হৈছে আৰু North Bank ৰ যিটো পৰিস্থিতি আছিল মই নিজেও গুলিবিদ্ধ হৈছিলো সেই পৰিস্থিতিত। কিন্তু আজি North Bank ত নাই তেনেকুৱা পৰিস্থিতি নাই গতিকে এই কথাটো সচাঁ অৰ্থত প্ৰকাশ কৰাটো ভাল।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া Special mention Rule 301. মাননীয় শ্ৰী ৰঞ্জিত দাস, তেখেত absent গতিকে এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of procedure and Conduct of Business, Assam Legislative Assembly ৰ Rule 301 ৰ অধীনত "জনস্বাস্থ্যৰ ৪৪ সংমণ্ডলৰ ২৬ টাত নাই কাৰ্য্যবাহী অভিযন্তা" এই বাতৰিটো আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক দৃষ্টিগোচৰ কৰিবলৈ অনুমতি দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বাতৰিটো প্ৰকাশ হৈছে "অসমীয়া প্ৰতিদিন" ৬ ফেব্ৰুৱাৰী ২০১৮ ত। বাতৰিত কোৱা হৈছিল যে অসমত Public Health Engineering ৰ মুঠ ৪৪ টা সংমণ্ডল আছে । তাৰে ১৮ টা সংমণ্ডলতহে কাৰ্য্যবাহী অভিযন্তা আছে, ২৬ টাত Executive Engineer নাই। এই ২৬ টা সংমণ্ডল SDO পৰ্য্যায়ৰ বিষয়াই চলাই আছে। এই যে ২৬ টা সংমণ্ডল য'ত Executive Engineer নাই, এইকেইটা হৈছে ধুবুৰী, বাসুগাওঁ, গোৱালপাৰা, মৰিগাওঁ, বৰপেটা, ডিব্ৰুগড়, তেজপুৰ, কৰিমগঞ্জ, শিলচৰ, হাইলাকান্দি, হামৰেণ, হোজাই, ঘিলামৰা, কলিয়াবৰ, মাইবং, হাফলং, উমৰাংচু, ডিফু(ৰুৰেল), ডিফু(নগৰ), শিৱসাগৰ। ইয়াৰ উপৰিও নামনি অসম মণ্ডল, বৰাক উপত্যকা মণ্ডল, উত্তৰ অসম মণ্ডল, উজনি অসম মণ্ডল এই চাৰিটাত Executive Engineer নাই। তাৰ পিছত বেতকুছিত থকা ভঁড়াল সংমণ্ডলটো Executive Engineer নাই। প্ৰত্যেক জিলাত বা সংমণ্ডলত Executive Engineer দুজনৰ এজন Senior most officer যদিও সকলোতকৈ জ্যেষ্ঠ অফিচাৰজন নাথাকে তেনেহ'লে বিভাগটো কেনেকৈ চলিব আৰু Public Health Engineering Department টো এটা গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগত যদি এনেকৈ জেষ্ঠ অফিচাৰ নাথাকে আমাৰ বোধেৰে কথাটো ঠিক নহয়। গতিকে চৰকাৰে যিহেতু খুব development ৰ কথা কৈছে, Advantage Assam ৰ কথা কৈছে ইয়াত এই কথাটো খুব ওলাইছে যে "বিনিয়োগৰ চমকৰ মাজতে ৰিহন দৈমাৰীৰ বিভাগৰ শ্মশান যাত্ৰা "। গতিকে শ্মশান যাত্ৰা যাতে নহয় এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। শ্মশান যাত্ৰাৰ সম্পৰ্কত মই এটা কথা ক'ব বিচাৰিছো যে অলপ আগতে question hour ত সতীৰ্থ বিধায়ক শ্ৰী দেৱানন্দ হাজৰিকা মোৰ পাশ্বৱৰ্তী সমষ্টিৰ বিধায়ক, তেখেতে এই বিভাগৰ ওপৰত যিটো কথা কৈছে এই কথাৰ ১০০

শতাংশতকৈ বেছি একমত। একোটা প্ৰশ্ন মই যোৱাবাৰ question ত আনিছিলো যে মোৰ সমষ্টিৰ ৪০ টা এনেকুৱা পানীযোগান আঁচনি আছে কিন্তু hardly এটা বা দুটাহে কাৰ্য্যক্ষম। গতিকে শ্ৰী দেবানন্দ হাজৰিকাই যিটো কৈছে মই সম্পূৰ্ণ একমত। শ্মশান যাত্ৰা যাতে আপোনাৰ বিভাগত নহয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই বিষয় কেইটা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো।

**শ্ৰী ৰিহন দৈমাৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই কোৱা “ জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগত ৪৪ টা সংমণ্ডলৰ ভিতৰত ২৬ টাতে নাই কাৰ্য্যবাহী অভিযন্তা ” এই বাতৰি সম্পৰ্কত যিটো কথা তেখেতে উত্থাপন কৰিছে, এই কথাৰ প্ৰসংগত মই অলপ আগলৈ যাব লাগিব যে বিগত চৰকাৰৰ দিনত যিসকল উপযুক্ত Executive Engineer আৰু Assistant Executive Engineer আছে , যিসময়ত তেওঁলোকক ta Promotion দিব লাগিছিল দিয়া হোৱা নাছিল। এজন Assistant Engineer ৰ পৰা Executive Engineer পাবলৈ হ'লে তেওঁলোকক Service Rule মতে minimum 6 years তেওঁ Assistant Executive Engineer হ'ব লাগে। গতিকে সেই সময়টো আমি অপেক্ষা কৰিবলগীয়া হ'ল। ইতিমধ্যে Departmental Promotion Committee য'ত Chief Secretary Chairman হয় তেখেতৰ নেতৃত্বত ৯ জন Assistant Executive Engineer ক ইতিমধ্যে প্ৰমোচন দিয়া হৈছে। যোৱা ৯ তাৰিখে তেওঁলোকক প্ৰমাচন দি বিভিন্ন সংমণ্ডলত আমি নিযুক্তি দিছো আৰু বাকী যি ১৪ টা সংমণ্ডলত খালী পোষ্ট আছে এতিয়াও আমি Selection কৰিব পৰা নাই। মই আমাৰ বিষয়া সকলক নিৰ্দেশ দিছো। এতিয়া ৬ বছৰ complete হোৱা আমাৰ বিভাগত নাই। সেই কাৰণে এই নিয়মটো শিথিল কৰিবৰ কাৰণে আমি Personnel বিভাগত ইতিমধ্যে note এটা দিছো যাতে নিয়মটো শিথিল কৰে আৰু তেওঁলোকৰ পৰা note টো আহিলে আমি selection কমিটি পাতি selection কৰি promotion দিয়াৰ ব্যৱস্থা কৰিম। ইতিমধ্যে আমি অন্যান্য Assistant Executive Engineer ৰ যিখিনি খালী পদ আছে সেইখিনি selection কৰিবৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে আৰু আপোনালোকে শুনি ভাল পাব যে অসম লোকসেৱা আয়োগৰ দ্বাৰা ইতিমধ্যে ৩৬ জন Assistant Executive Engineer selection কৰি পঠিয়াইছে আৰু সেই ৩৬ জন বিষয়াক ইতিমধ্যে বিভিন্ন সংমণ্ডলত আমি নিয়োগ কৰিছো। আপোনালোকে শুনি ভাল পাব যে এই বিষয়াসকলক সম্পূৰ্ণ পাৰ্গত কৰিবৰ কাৰণে আমি ১২ দিনীয়া প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰিছো। তাৰ ভিতৰত বিশেষকৈ, অভিযান্ত্ৰিক, RTI Act বিষয়াৰ হিচাপ, DPR প্ৰস্তুতকৰণ, উদ্দীপনা মূলক বিষয় ইত্যাদি বিষয়ত তেওঁলোকক training দিয়া হ'ব। পাৰ্গত হোৱাৰ পিছত আমি তেওঁলোকক তেওঁলোকৰ ঠাইলৈ প্ৰেৰণ কৰিম। গতিকে আমাৰ বিধায়ক ডাঙৰীয়াই যিটো শ্মশান যাত্ৰাৰ কথা উল্লেখ কৰিছে, আচলতে কথাটো তেনেকুৱা ধৰণৰ নহয়। হয়, কিছুমান ৰিপোৰ্টিঙত ভূল হব পাৰে। ইতিমধ্যে মই হাউচত কৈছো। আমাক বিভাগৰ বিষয়াই যদি ভূল তথ্য দিছে, মই বিহিত ব্যৱস্থা ল'ম। আমি চেষ্টা কৰিছো, যিখিনি বিষয়া আমাৰ হাতত আছে, সেই সকলক লৈ বিভাগটো যাতে ভালকৈ পৰিচালনা কৰিব পাৰে, সুচল কৰিব পাৰে, তাৰ কাৰণে আমি চেষ্টা কৰি আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you.আমাৰ 301 ত আজি Notice বেছি দিয়া নাছিলো। ইয়াৰ পাছত আমি পৰৱৰ্ত্তী কাৰ্য্যসূচীলৈ যাম। Item No. 4 " The Assam Yoga Council Bill 2018."এইখন আজি Introduce হব। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰীৰ হৈ মই " The Assam Yoga Council Bill 2018." বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে ?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** চাৰ, মোৰ ইয়াত এটা কবলগীয়া আছিল যে, আমি যিখন আজি Bill Introduce কৰিবলৈ গৈ আছো, " The Assam Yoga Council Bill 2018", এইখন বিলত ইতিমধ্যে আমি চকু ফুৰাই চালো যে, ইয়াত Councilখন গঠন কৰাৰ পাছত এই কাউঞ্চিলে গোটেই অসমত যিবিলাক Yoga Institution হ'ব আৰু তাত যিবিলাক Practitionerথাকিব, তেওঁলোকৰ Registration কৰা, Involve কৰাৰ লগতে Teacher Appointment কৰা Financial Involvement ৰ কথা আছে। স্বাস্থ্যখণ্ডত যোগা এটা ভাল পদ্ধতি স্বাস্থ্য ৰক্ষাৰ কাৰণে এইটো আমি সেইটো deny নকৰো। কিন্তু আমাৰ অসমত MBBS Course পাছতে Homeopathic , Ayurvedic আদি যিবিলাক Institution এতিয়ালৈকে চলি আছে। আমি চৰকাৰে সেই কলেজবিলাক চলাই আছো, দৰমহা দি আছো। তাৰ পৰা যিসকল ডাক্তৰ ওলাই আছে, আমাৰ Financial Problem ৰ কাৰণে এতিয়ালৈকে Homeopathic অথবা Ayurvedic ডাক্তৰক আমি সংস্থাপন দিব পৰা নাই। তেওঁলোকে বিভিন্ন সময়ত আন্দোলন কৰি আছে। কিন্তু তেওলোক privately ওলাই অহা নাই। আমাৰ চৰকাৰী Homeopathic , Ayurvedic কলেজৰ পৰাই ওলাই আছে। গতিকে আমি আজি আকৌ যোগা Institution বিলাক যেতিয়া কৰিম কৰাৰ লগে লগে ইয়াতে আমাৰ বছৰি হাজাৰ হাজাৰ কোটি টকাৰ এটা খৰচৰ কথা আহিব। গোটেই Institution আৰু Staff Pattern চলাবৰ কাৰণে আৰু আমাৰ অসমৰ বিভিন্ন চিকিৎসালয়ত ডাক্তৰ, ANM, GNM ৰো এতিয়ালৈকে অভাৱ পূৰণ কৰিব পৰা নাই, আৰু বিনামূলীয়া ঔষধ পাতি সকলো স্বাস্থ্যকে দ্ৰূত দিব পৰা নাই বুলি এতিয়াও বিভিন্ন ক্ষেত্ৰত অভিযোগ আছেই। আন্তঃগাঁথনি উন্নয়ন কৰিব পৰা নাই। গতিকে এইটো এই সময়ত Introduce নকৰি যদি আমি সেই Homeopathic , Ayurvedic বা অন্যান্য আমাৰ যিবিলাক System of Education চৰকাৰে ইতিমধ্যে ইমানদিন চলাই আছে আৰু তেওঁলোকক এতিয়ালৈকে আমি Posting দিব পৰা নাই, প্লেছমেণ্ট দিব পৰা নাই। এই মূহূৰ্ত্তত যদি আৰু এটা ইমান ডাঙৰ Burden আকৌ আমি চপাই লওঁ, য'ত আমাৰ বছৰি হাজাৰ কোটি টকাৰ ওপৰত এটা investmentৰ কথা আহি যাব এই কথাটো আমি সদনে অলপ বিবেচনা কৰাতো উচিত বুলি মই ভাবো। অৱশ্যে এটা কথা যোগাযোগটো এটা ভাল পদ্ধতি। হয়তো স্বাস্থ্যৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আছে, মই deny নকৰো। ইতিমধ্যে ব্যক্তিগতভাৱে যোগগুৰু ৰামদেৱ আগতেওঁ অসমলে আহিছে। অহাৰ পাছত আমি দেখিছো হাজাৰ হাজাৰ মানুহে তেখেতক শ্ৰদ্ধা কৰিছে বা সেইবিলাক পদ্ধতি মানিছে। প্ৰাইভেট হিচাপে বহুতে practice কৰি আছে। প্ৰাইভেটকে কৰিলেও যিসকল interested তেওঁলোকে সুফল পাই আছে আৰু এটা কথা অৱশ্যে বহুতে কব খোজে যে, যোগগুৰু ৰামদেৱে অসমত আহি যিটো প্ৰভাৱ বিস্তাৰ কৰিছিল, তাৰ কাৰণে এটা ৰাজনৈতিক পৰিৱৰ্তনো হ'ল অসমত। গতিকে এইটো এনেকৈয়ো কিছুমানে হয়তো ভাৱিব পাৰে যে, ইয়াৰ জৰিয়তে যি ৰাজনৈতিক পৰিৱৰ্তনত হ'ল তাৰ কাৰণে এইটো কৰি পেলাই হয়তো ৰামদেৱ বা তেখেতসকলক সন্তুষ্ট কৰাওঁ হ'ব পাৰে। গতিকে আমি সেইটো কথাত নাযাওঁ। যোগ বিদ্যাৰ গুৰুত্ব আমি deny নকৰো। কিন্তু আমি ভাবো, যিহেতু আমাৰ বেলেগ চিষ্টেম বিলাকৰ আন্তঃগাঁথনি যিখিনি অভাৱ এতিয়ালৈকে

আছে, সেইখিনি পূৰ্ণ কৰি Homeopathic , Ayurvedic বা অন্যান্য ক্ষেত্ৰত আৰু Unani এখন কলেজ কৰিমগঞ্জত স্থাপন কৰাৰ ঘোষণা পাঁচ বছৰ পৰাই হৈ আছে হয়তো এতিয়া বিত্তীয় অৱস্থালৈ চাই এইটো যদি আৰু দুই-চাৰিবছৰ পাছত কৰিলে বেছি ভাল হ'ব নেকি মই সদনত বিবেচনাৰ বাবে কথাখিনি ক'লো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইবিলখন আজি সদনত উত্থাপনহে কৰা হৈছে। আৰু এই বিলখন উত্থাপন কৰাৰ পাছত এই বিলখনৰ ওপৰত আলোচনা নিশ্চয় হ'ব। আৰু যেতিয়া আলোচনা হ'ব অকল মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াৰে নহয়, বাকী সকলোৰে যিখিনি কথা থাকে, আমি গোটেই কথাখিনিৰ যিখিনি আমি গ্ৰহণ কৰিব পাৰো, আমি কৰিম। এই বিলখন আমি জনসাধাৰণৰ স্বাৰ্থৰ হকে আনিছো। সেই কাৰণে মোৰ কথা হ'ল বিলখন উত্থাপন কৰিবলৈ অনুমতি দিলে আমি বিলখন উত্থাপন কৰো। আৰু যেতিয়া বিলখন পাৰিত কৰা হ'ব, তাৰ আগতে Consideration Stage ত যেতিয়া আহিব, তেতিয়া মাননীয় সদস্য সকলে তেওঁলোকৰ Opinion দিব পাৰিব আৰু সেইমতে আমি আগবাঢ়িব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, সেই কাৰণে আমি কৈছো, যেতিয়া বিধান সভালৈ আহো বিধান সভালৈ অহাৰ আগতে চৰকাৰী পক্ষই সময় লয় আপোনাৰ পৰা। আৰু সেই গোটেইখিনি চাই আপুনি সময় দিয়ে। এতিয়া নিশ্চয়কৈ, আজি চাওঁক আমাক ইয়াতে উল্লেখযোগ্য কথা শুধিছে কিন্তু আজি শিক্ষামন্ত্ৰী নথকাৰ কাৰণে আমি ভালকৈ উত্তৰবোৰ নাপালো। এই পৰ্যায়তে কথাটো ক'ব পাৰিব লাগিছিল। কাৰণ এই stage ত আপুনি গোটেই কথাখিনি নাজানে। কাৰণ বিভাগীয় মন্ত্ৰী গৰাকী নাই। গতিকে অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিম চৰকাৰে সময় দিয়ক। চৰকাৰৰ মন্ত্ৰীসকলে সময় যেতিয়া দিব, আমাৰ কাম নথকাৰ সময়ত আহিম। কিন্তু তেওঁলোকে যেতিয়া আপোনাৰ পৰা সময় লয়, অন্ততঃ সদনত যাতে উপস্থিত থাকে।

**মাননীয় অধ্যক্ষ ঃ** বহক । যেতিয়া Discussion লৈ আহিব, Consideration ত Definitely মন্ত্ৰী থাকিবই লাগিব। আপোনালোকৰ কথাটোত মই মূল্য নাই বুলি কোৱা নাই। কিন্তু আপোনালোকে জানে, কিছুমান কথা থাকে আমি মিলাবলগীয়া হয়। গতিকে আজি মই এতিয়া সেই কাৰণে প্ৰশ্নটো হাউচত দিম। যে বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? যিসকলে আছে, কওঁক হয়, যিসকলে নাই কওঁক নহয়। মই ভাবো যে, হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনত অনুমতি দিছো। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই বিলখন এতিয়া সদনত উত্থাপন কৰিম। কিন্তু মই এটা কথা কওঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উত্থাপন কৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** উত্থাপন কৰিম। বিল এখন যেতিয়া Introduce কৰা হয়, Introduction কৰাৰ পিছত বিলখন Consideration ত আহে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো ঠিকেই আছে, পাটোৱাৰী ডাঙৰীয়া। They have a right to speak also. তেওঁলোকে উত্থাপন কৰিব, সেইটোত আৰু নাযাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** ঠিক আছে। এইখিনি কথা আমি সকলোৰে জানো যে,

Consideration stage ত কথাখিনি ক'ব পাৰে, বিলখন যেতিয়া আহিব।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** Introduction ষ্টেজত এমেণ্ডমেণ্ট দিব পাৰিম।

............ হুলস্থুল...........

**মাননীয় অধ্যক্ষ ঃ** ঠিকআছে। I am here to judge. আপোনালোকে চিন্তা কৰিব নালাগে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** বিলৰ Acceptability ৰ ওপৰত আজিয়েই ক'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। প্লিজ, প্লিজ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আপুনি হাউচৰ অনুমতি লৈছে যে, এইখন বিল উত্থাপন কৰা হাউচৰ অনুমতি আছে নে নাই। হাউচৰ অনুমতি আছে বুলি কৈছে। আপুনি উত্থাপন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, " The Assam Yoga Council Bill 2018." বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধায়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল- " The Assam Yoga Council Bill 2018."

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া আজি আমাৰ অন্য কাৰ্য্যসূচী নাই।

**গতিকে সদন অহা ১৯-০২-২০১৮ তাৰিখৰ পূৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে। (সদনৰ কাৰ্য্যক্ৰমণিকা দিনৰ ১২.১০ ত সমাপ্ত হয়।)**

———————————————————————